**উচ্চ শিক্ষা (Higher Education ) মাদ্ৰাছা (Madrasah) ঃ**

মুছলমান যুগৰ শিক্ষাৰ উচ্চ ব্যৱস্থাক মাদ্ৰাছা বুলি অভিহিত কৰা হৈছিল। মাদ্ৰাছা শব্দটো আৰবী ভাষাৰ "দাৰচ্" (DARS) নামৰ শব্দৰ পৰা আহিছে, যাৰ অৰ্থ হ'ল "বক্তৃতা প্ৰদান কৰা।" মোক্তাবৰ শিক্ষা সমাপ্ত কৰাৰ পিছত উচ্চ শিক্ষাৰ বাবে মাদ্ৰাছাত নাম ভৰ্তি কৰিছিল। মাদ্ৰাছাৰ শিক্ষাব্যৱস্থা তলত দিয়া ধৰণে আলোচনা কৰিব পাৰি—

**(১) সাংগঠনিক ব্যৱস্থা (Organisation) ঃ** মধ্যযুগত মুছলমানসকলৰ উচ্চশিক্ষাৰ ব্যৱস্থা মাদ্ৰাছাৰ জৰিয়তে কৰা হৈছিল। বিখ্যাত পণ্ডিতসকলে এই অনুষ্ঠানত ভাষণ প্ৰদান কৰিছিল। শিক্ষকসকলে বক্তৃতাৰ মাধ্যমেৰে ছাত্ৰসকলক বিভিন্ন বিষয়ৰ শিক্ষা প্ৰদান কৰিছিল। শিক্ষকসকলক সমাজৰ আঢ্যৱন্ত ব্যক্তিয়ে নিযুক্তি দিছিল। মোক্তাবৰ শিক্ষা সমাপ্ত কৰাৰ পিছত শিক্ষাৰ্থীসকলক মাদ্ৰাছাত নামভৰ্তিৰ সুবিধা প্ৰদান কৰা হৈছিল। এইক্ষেত্ৰত কোনোধৰণৰ অনুষ্ঠান পালন কৰা হোৱা নাছিল।

নামভৰ্তিৰ বাবে এখন বাছনি কমিটি ঠিক কৰি দিয়া হৈছিল। ৰাজ্যসমূহে প্ৰয়োজনীয় আৰ্থিক সাহায্য আগবঢ়ালেও মাদ্ৰাছা পৰিচালনা কৰাৰ বাবে কোনো ৰাজ্যিক ব'ৰ্ড নথকাৰ বাবে পৰিচালনাৰ দায়িত্ব ৰাজ্যিক প্ৰশাসনৰ হাতত নাছিল। মাদ্ৰাছাৰ বাবে প্ৰয়োজনীয় ভূমি নাইবা এক বুজন সংখ্যক ধন ৰাজ্যই মাদ্ৰাছাৰ নামত ব্যয় কৰিছিল। কিছুক্ষেত্ৰত ছাত্ৰসকলৰ বাবে ছাত্ৰাবাস নাইবা থকা খোৱাৰ ব্যৱস্থা কৰি দিছিল। কিন্তু কোনো উচ্চ শিক্ষিত ছাত্ৰৰ বাবে শিক্ষা সমাপ্তিৰ পাছত শাসনব্যৱস্থাৰ অধীনত উপযুক্ত স্থানত মকৰল কৰাৰ সুযোগ নাছিল। অৰ্থাৎ শাসকে উচ্চ শিক্ষাৰ পোষকতা কৰা দেখা পোৱা নগৈছিল।

**(২) পাঠ্যক্ৰম (Curricumum) ঃ** মাদ্ৰাছাৰ শিক্ষাব্যৱস্থা দুই ভাগত ভগোৱা হৈছিল—(১) ধৰ্মনিৰপেক্ষ (Secular) আৰু (২) ধৰ্মীয় (Religious) শিক্ষা। সমগ্ৰ শিক্ষাৰ বাবে দহ/বাৰ বছৰ ধাৰ্য কৰা হৈছিল। ধৰ্মনিৰপেক্ষ শিক্ষাৰ বাবে বিষয়সমূহ এনেধৰণৰ আছিল— আৰবী, ব্যাকৰণ, গদ্য, সাহিত্য আৰু দৰ্শন, তৰ্কশাস্ত্ৰ, জ্যোতিষবিদ্যা, গণিত, বুৰঞ্জী, ভূগোল, চিকিৎসাবিদ্যা, কৃষি আৰু সংযোজন ইত্যাদি। শিক্ষাদানৰ মাধ্যম আছিল আৰবী। সম্ৰাট ঔৰংগজেবে শিক্ষাদানৰ মাধ্যম মাতৃভাষা কৰাৰ পৃষ্ঠপোষকতা কৰিছিল কাৰণ দহ বা বাৰ বছৰ ধৰি শিক্ষালাভৰ পাছতো অধিকসংখ্যক ছাত্ৰই আৰবী ভাষা সম্পূৰ্ণৰূপে আয়ত্ব কৰিব পৰা নাছিল।

ধৰ্মীয় শিক্ষা কোৰাণৰ ওপৰত সামগ্ৰিক জ্ঞানেৰে প্ৰদান কৰা হৈছিল। ইয়াৰোপৰি হজৰত মহম্মদৰ ধৰ্মীয় পৰম্পৰা, মুছলমান আইন, চুফীসকলৰ পংক্তিবোৰ এই শিক্ষাত অন্তৰ্ভুক্ত হৈছিল। প্ৰথমতে ধৰ্মনিৰপেক্ষ শিক্ষা প্ৰদান কৰা হৈছিল যদিও ধৰ্ম প্ৰচাৰ আৰু সংখ্যাগতভাৱে ধৰ্মীয় লোকৰ বৃদ্ধিৰ বাবে হিন্দুসকলক মুছলমান শিক্ষা প্ৰদান কৰি মুছলমান ধৰ্ম গ্ৰহণ কৰিবলৈ প্ৰৰোচনা চলোৱা হৈছিল।



মহামতি আকবৰে এইক্ষেত্ৰত কিছু উদাৰ মনোভাব পোষণ কৰিছিল। তেওঁ হিন্দু কলেজলৈও প্ৰয়োজনসাপেক্ষে সাহায্য আগবঢ়াইছিল। তদপুৰ সমগ্ৰ শিক্ষা পদ্ধতি ব্যৱহাৰিক জীৱনত কামত অহাকৈ প্ৰয়োজনসাপেক্ষে পাঠ্যক্ৰম সলনি কৰিবলৈ পৰামৰ্শ দিছিল। আকবৰে সংস্কৃত ভাষা শিকিবখোজা সকলক বেদান্ত, ৰাজবিধি আৰু পতঞ্জলি অধ্যয়ণৰ ব্যৱস্থা কৰি দিছিল।

**(৩) শিক্ষণ পদ্ধতি (Method of Teaching) ঃ** শিক্ষাৰ্থীসকলে ভাষা শিকিব পৰা হওঁতে 'কালমা' (Qalama) মুখস্থ কৰিবলৈ দিয়া হৈছিল। তদুপৰি কোৰাণৰ বিভিন্ন বাণীসমূহ মুখস্থ কৰিবলৈ দিয়া হৈছিল। প্ৰায় সাত বছৰমান বয়সৰপৰা কোৰাণ পঢ়ি ধৰ্মীয় শিক্ষা আৰম্ভ কৰিবলৈ দিয়া হৈছিল। সেই সময়ত মুখস্থ বিদ্যাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। মোক্তাবসমূহৰ শিক্ষণ পদ্ধতি ঘাইকৈ মৌখিক আছিল। মুখস্থ বিদ্যাৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ বাবে ব্যৱহাৰিক শিক্ষাৰ প্ৰচলনৰ প্ৰতি উদাসীন আছিল। সম্ৰাট আকবৰে বুজিছিল যে শিক্ষা গ্ৰহণৰ নামত জীৱনৰ এক বহুমূলীয়া সময় অযথা অপব্যয় কৰা হৈছিল, গতিকে তেওঁ পঢ়া আৰু লিখাৰ লগতে বিষয়বস্তু খৰচি মাৰি বুজাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। আকবৰে প্ৰথমে আখৰ লিখি তাৰ পাছত পঢ়া বা আয়ত্ব কৰাৰ ওপৰত গুৰুত্ব দিছিল। মুছলমানসকলে লিখিবলৈ 'তাখ্তি' নামৰ ফলি ব্যৱহাৰ কৰিছিল।

মাদ্ৰাছাসমূহত শিক্ষকসকলে বক্তৃতাৰ যোগেৰে উচ্চ শিক্ষা প্ৰদান কৰিছিল। ছাত্ৰসকলক বিভিন্ন পুথি অধ্যয়ন কৰিবলৈ অনুপ্ৰেৰণা যোগোৱা হৈছিল। পাঠ্যবিষয় তাত্ত্বিক আৰু ব্যৱহাৰিক উভয় দিশেৰে গ্ৰহণ কৰিবলৈ উৎসাহ দিয়া হৈছিল। বিশেষকৈ 'তিবি' (Tibii) 'ৰিয়াজি' (riyaji) আৰু 'ইলাহী' (ilahi) ৰ ওপৰত এনে শিক্ষা বিশেষভাৱে প্ৰযোজ্য আছিল। 'তিবি' চিকিৎসা আৰু শাৰিৰীক বিদ্যাৰ বিজ্ঞান, 'ৰিয়াজি' কাৰিকৰী বিজ্ঞান আৰু 'ইলাহী' মাধ্যমিক বিদ্যাৰ বিজ্ঞান আছিল। প্ৰত্যেক ছাত্ৰৰ প্ৰতি ব্যক্তিগত মনোযোগ দিয়া হৈছিল আৰু সৰ্বতোপ্ৰকাৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়া হৈছিল।

শিক্ষাদানৰ বাবে উপযুক্ত জ্ঞান থকা শিক্ষকক নিযুক্তি দিয়া হৈছিল। কিছু ক্ষেত্ৰত ওপৰৰ শ্ৰেণীৰ ছাত্ৰক তলৰ শ্ৰেণীৰ ছাত্ৰক শিক্ষা দিবলৈ নিযুক্তি দিয়া হৈছিল যাতে শিক্ষকৰ কামৰ বোজা লাঘব কৰিব পাৰি। লিখা আৰু পঢ়া বেলেগে বেলেগে কৰাৰ বাবে অযথা সময়ৰ বহুতো অপব্যয় হৈছিল। গতিকে পিছলৈ সমকালীনভাৱে লিখা-পঢ়াৰ ওপৰত গুৰুত্ব দিবলৈ মহামতি আকবৰে নিৰ্দেশ দিছিল।

শিক্ষাগ্ৰহণৰ বাবে বিশ্লেষণাত্মক আৰু নিগমনাত্মক জ্ঞান আহৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। বিশেষকৈ ধৰ্ম, তৰ্কশাস্ত্ৰ, দৰ্শন আৰু ৰাজনীতি বিষয়ত বিষয়বস্তুৰ সামগ্ৰিক জ্ঞান আহৰণৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ৰাজদৰবাৰসমূহত এই বিষয়ৰ ওপৰত যথেষ্ট আলোচনা বিলোচনা হৈছিল। তদুপৰি আত্ম-অধ্যয়নৰ (self-study) ওপৰতো গুৰুত্ব দিয়া হৈছিল। ছাত্ৰই অকলশৰীয়াকৈ একোজন শিক্ষকৰ অধীনত এনে মৌখিক অধ্যয়ণ কৰিছিল।

**(৪) শাস্তিদানৰ ব্যৱস্থা (Punishment) ঃ** মুছলমান শিক্ষা ব্যৱস্থাত ছাত্ৰক মনোবৈজ্ঞানিক দিশেৰে বিচাৰ কৰিবলৈ চেষ্টা কৰা হৈছিল। দোষী ছাত্ৰক উপযুক্ত শাস্তি দিয়াৰ ব্যৱস্থা আছিল। যিহেতু শাস্তিৰ বাবে তেনেধৰণৰ ধৰাবন্ধা নিয়ম নাছিল, গতিকে শিক্ষকসকলে ছাত্ৰক দোষৰ বাবে যিকোনো শাস্তি দিবলৈ নিজ বিধান প্ৰয়োগ কৰিবলৈ সক্ষম আছিল। অনুশাসন, নৈতিক কৰ্তব্য আৰু মানবীয় প্ৰমূল্য অবমাননা কৰিলে ছাত্ৰক ৰাজহুৱাভাৱে বেত্ৰাঘাত কৰাৰ নিময় আছিল। তদুপৰি আন আন শাৰিৰীক শাস্তিৰো বিধান আছিল।

**(৫) পুৰস্কাৰ প্ৰদান (Reward) ঃ** দোষী ছাত্ৰক শাস্তি দিয়াৰ বিপৰীতে মেধাবী ছাত্ৰক পুৰস্কাৰ দিয়াৰ ব্যৱস্থাও আছিল। শিক্ষা সমাপ্তিৰ পাছত উপযুক্ত ছাত্ৰক প্ৰমাণপত্ৰ আৰু মেডেল দিয়াৰ ব্যৱস্থা আছিল (Sanads or certificate, tamghas or medal)। মাদ্ৰাছা শিক্ষা লাভ কৰা শিক্ষাৰ্থীক ৰাজদৰবাৰৰ পৰা জলপানি দিয়াৰ ব্যৱস্থা আছিল। তদুপৰি কিছুসংখ্যক ছাত্ৰক অধ্যয়ন সমাপ্তিৰ পাছত প্ৰশাসনীয় কামত নিযুক্তি দিয়া হৈছিল। সেনাবাহিনী আৰু অন্যান্য পদবীতো নিযুক্তি দিয়াৰ ব্যৱস্থা আছিল। ইয়াৰ বাবে বিশেষ বোৰ্ড আৰু কমিটী গঠন কৰি দিয়া হৈছিল।

## নাৰীৰ বাবে শিক্ষা (Female Education) ঃ

মুছলমানৰ ৰাজত্বকালত নাৰীসকলক পৰ্দাৰ আৱত ৰখা হৈছিল। ঘৰৰ বাহিৰলৈ ওলাই আহি পুৰুষৰ সমানে সমানে মোক্তাব আৰু মাদ্ৰাছাত শিক্ষা গ্ৰহণৰ ব্যৱস্থা তেওঁলোকৰ নাছিল। কিছুসংখ্যক নাৰী একাগোট হৈ মছজিদৰ সংলগ্ন মোক্তাবলৈ গৈ সাধাৰণ লিখা-পঢ়াৰ শিক্ষা আয়ত্ব কৰিছিল। একমাত্ৰ প্ৰাথমিক শিক্ষাত শিক্ষিত হোৱাৰহে তেওঁলোকক সুবিধা প্ৰদান কৰা হৈছিল। শিক্ষাব্যৱস্থা সকলোৰে বাবে মুক্ত আৰু সাৰ্বজনীন নাছিল। একমাত্ৰ নগৰ বা চহৰৰ অঞ্চলৰ মহিলাৰহে এনে শিক্ষা গ্ৰহণ কৰাৰ সুবিধা আছিল। সৰ্বসাধাৰণ নাৰীৰ বাবে সামাজিক শিক্ষাৰ সুবিধা নাছিল। ফলত তেওঁলোকে শিক্ষাৰ ক্ষেত্ৰত পিছপৰি ৰৈছিল।

সেই সময়ত আঢ্যবন্ত আৰু ৰাজ পৰিয়ালৰ কন্যাক ঘৰতে শিক্ষক নিযুক্তি দি শিক্ষা দিয়াৰ সুবিধা আছিল। হিন্দু মধ্যবিত্ত পৰিয়ালৰ ছোৱালীক ল'ৰাৰ লগত ঘৰতে প্ৰাথমিক শিক্ষা প্ৰদান কৰাৰ সুবিধা আছিল। ছোৱালীৰ বাবে গাৰ্হস্থ্য বিজ্ঞান আৰু ধৰ্মীয় গ্ৰন্থৰ ওপৰত শিক্ষা লাভৰ সুবিধা থকাৰ উপৰিও ৰাজকন্যাসকলৰ বাবে সাহিত্য আৰু সঙ্গীত সাধনা কৰাৰ সুবিধা আছিল।

## পৰীক্ষা পদ্ধতি (Method of Examination) ঃ

মুছলমান শিক্ষা ব্যৱস্থাত আনুষ্ঠানিক পৰীক্ষাৰ তেনে কোনো ব্যৱস্থা নাছিল। শিক্ষকে প্ৰদান কৰা জ্ঞান ছাত্ৰই আয়ত্ব কৰিছিল আৰু শিক্ষাৰ্থীৰ শিক্ষণ শিক্ষকৰ নিজস্ব মাপকাঠিৰে বিচাৰ কৰি চাইছিল।



শিক্ষকৰ ব্যক্তিত্ব আৰু পাণ্ডিত্যই ছাত্ৰক প্ৰভাৱান্বিত কৰিছিল। ছাত্ৰসকল উপযুক্ত শিক্ষাৰে শিক্ষিত হৈ উঠিছেনে নাই সেইটো শিক্ষকে ঠিক কৰিছিল। তদুপৰি ছাত্ৰৰ উচ্চ শিক্ষা লাভ কৰাৰ ক্ষমতা আছেনে নাই সেইখিনিও শিক্ষকে সিদ্ধান্ত লৈছিল।

## শিক্ষক-ছাত্ৰৰ সম্পৰ্ক (Relationship between teacher and student)

শিক্ষক-ছাত্ৰৰ সম্পৰ্ক সুচল থাকিলেও গুৰু-শিষ্য পৰম্পৰাৰ দৰে অতি নিকট নাইবা নিবিড় নাছিল। যিহেতু শিক্ষকে প্ৰদান কৰা শিক্ষা ছাত্ৰই গ্ৰহণ কৰিব লাগিছিল, গতিকে ছাত্ৰই শিক্ষকক শ্ৰদ্ধা-ভক্তি কৰিছিল। মোক্তাবৰ শিক্ষাব্যৱস্থা আবাসিক নাছিল বাবে শিক্ষক-ছাত্ৰই একেলগে থকাৰ সুবিধা পোৱা নাছিল।

যিবোৰ মাদ্ৰাছা আবাসিক আছিল তাত শিক্ষক আৰু ছাত্ৰই একেলগে বাস কৰাৰ সুবিধা লাভ কৰিছিল। শিক্ষকে ছাত্ৰক চেনেহ আৰু ছাত্ৰই শিক্ষকক যথেষ্ট শ্ৰদ্ধা কৰাৰ লগতে একেলগে থকাৰ বাবে উভয়ে উভয়ক বুজিবলৈ চেষ্টা কৰিছিল। ছাত্ৰৰ শৈক্ষিক আৰু মানসিক উন্নয়ণৰ বাবে শিক্ষকে যৎপৰোনাস্তি চেষ্টা কৰিছিল।

## সামৰিক শিক্ষা (Military Education)

সামৰিক শিক্ষা মুছলমান শিক্ষাৰ এক বিশেষ বিষয় হিচাপে অন্তৰ্ভুক্ত কৰা হৈছিল। শিক্ষাৰ্থীক সামৰিক শিক্ষাৰে শিক্ষিত কৰি দেশৰ সাৰ্বভৌমত্ব ৰক্ষা কৰাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। শাসকসকলৰ বেছি ভাগেই অনেক সময় যুদ্ধ বিগ্ৰহত ব্যস্ত থাকিবলগীয়া হৈছিল। গতিকে সেই সময়ৰ সামৰিক শিক্ষা যথেষ্ট উন্নত আছিল। ৰাজপুত্ৰসকলক সৰুকালৰে পৰাই সামৰিক শিক্ষাৰে নিপুণ কৰি তোলা হৈছিল। তদুপৰি সাধাৰণ সৈনিকসকলকো বিভিন্ন সামৰিক বিদ্যা অৰ্জনৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। মোগলৰ দিনৰ সামৰিক শিক্ষাই বিশেষ প্ৰাধান্য লাভ কৰিছিল।

## চাৰু শিল্প আৰু হস্তশিল্প (Fine Art and Handicrafts)

মুছলমানৰ ৰাজত্বকালত চাৰু শিল্প, স্থাপত্য বিদ্যা, হস্তশিল্প, সাহিত্য, সঙ্গীত ইত্যাদি দিশত যথেষ্ট আগবঢ়া আছিল। তেওঁলোকে হিন্দুসকলৰ পৰাই এই হস্তশিল্প বিদ্যা অৰ্জন কৰিছিল। হাতীদাঁতৰ শিল্প, গহণা, ফুলতোলা, জাহাজ নিৰ্মাণ, চকা নিৰ্মাণ আৰু বিভিন্ন সমসাময়িক বিদ্যা উদ্যোগ হিচাপে গঢ়ি তুলি যথেষ্ট লোকক জীৱিকা নিৰ্বাহৰ পথ সুচল কৰি দিছিল। ৰাজদৰবাৰ আৰু সামন্ত প্ৰভুসকলে এই উদ্যোগ নিৰ্মাণত যথেষ্ট পৰিমাণে সহায়-সাহায্য কৰিছিল। ইয়াৰ বাবে নিয়োগ কৰা কাৰিকৰসমূহে পৰম্পৰাগতভাৱে প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ এই শিল্প হস্তান্তৰ হৈছিল। কিন্তু প্ৰশিক্ষণৰ বাবে কোনো ধৰণৰ কাৰিকৰী বিদ্যালয় নাছিল।

চাৰু শিল্পৰ দিশৰপৰা মুছলমান ৰাজত্বকালক এক সোণালী অধ্যায় হিচাপে অভিহিত কৰিব পাৰি। তেওঁলোকে বিলাসী জীৱন কটাই ভাল পাইছিল। গতিকে বিভিন্ন বিনোদন কৰাত তেওঁলোক আগ্ৰহী আছিল। সঙ্গীত আৰু ছবি অঁকা এই সময়ছোৱাৰ উল্লেখযোগ্য অবদান। মোগল ৰাজদৰবাৰত সঙ্গীত আৰু চিত্ৰশিল্পীসকলৰ বিশেষ সমাদৰ আছিল। নৃত্যশিল্পও এই যুগৰ বিশেষ অৱদান। প্ৰত্যেক শিক্ষকৰে সঙ্গীত আৰু নৃত্যৰ ভাল জ্ঞান আছিল। মোগল ৰজাসকলে প্ৰাসাদ নিৰ্মাণ কৰাত বিশেষ আগ্ৰহী আছিল, গতিকে স্থপতিকলাক তেওঁলোকে বিশেষ সমাদৰ কৰিছিল। আগ্ৰাৰ বিশ্ববিখ্যাত তাজমহল এই যুগৰ জাকতজিলিকা অবদান।

## ইছ্লামীয় শিক্ষ্যাব্যৱস্থাৰ সবল দিশসমূহ (Merits of Islamic Education)

মুছলমান যুগৰ শিক্ষাত ন-পুৰণি বিভিন্ন দিশৰ সমাহাৰ ঘটিছিল। এই শিক্ষাব্যৱস্থাৰ কিছু পৰিমাণে সমালোচনা থাকিলেও উল্লেখযোগ্য দিশ কিছুমানো লক্ষ্য কৰা যায়। সেইবোৰ তলত দিয়া ধৰণে ব্যাখ্যা কৰিব পাৰি।

১। এই যুগত ধৰ্মীয় শিক্ষা আৰু ধৰ্মনিৰপেক্ষ শিক্ষা উভয় দিশৰে সমাবেশ ঘটিছিল। কিন্তু উভয় দিশৰ শিক্ষাৰ মাজৰ এক সুসমন্বয় লক্ষ্য কৰা যায়। শিক্ষা বৃত্তিমুখী হোৱাৰ লগাতে বাস্তৱ জীৱনৰ লগত সম্পৰ্ক থকা দেখা যায়।

২। শিক্ষা একমাত্ৰ শিক্ষা লাভৰ বাবে নহয়, শিক্ষাৰ লগত বাস্তৱ জীৱনৰ সংগতি ৰক্ষা কৰি চলিব লাগে। মুছলমান শিক্ষাব্যৱস্থাত এই দৰ্শন মানি চলি জীৱনৰ ব্যৱহাৰোপযোগী বিষয় পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হৈছিল।

৩। শিক্ষা জীৱনৰ অপৰিহাৰ্য অংগ আছিল। কোৰাণৰ মতে যিগৰাকী ব্যক্তি শিক্ষিত একমাত্ৰ তেওঁহে আল্লাৰ পৰম ভক্ত বুলি গণ্য কৰিব পৰি। একমাত্ৰ শিক্ষাইহে ব্যক্তিক ভাল আৰু বেয়াৰ মাজৰ পাৰ্থক্য বিচাৰ কৰি চাবলৈ শক্তি দিয়ে। শিক্ষাই সকলো কৰ্মৰ মূল, এই ধাৰণা ইছলামীয় শিক্ষাৰ এক প্ৰধান বৈশিষ্ট্য।

৪। সেই সময়ত ইতিহাস আৰু সাহিত্য অধ্যয়ণে বিশেষ প্ৰগতি লাভ কৰিছিল। মুছলমানসকলৰ আগলৈ প্ৰকৃত ৰূপত ইতিহাস ৰচনা হোৱা দেখা নাযায়। ইয়াৰ উপৰিও 'বেলিচ' (Belles-letter) আখৰে এই সময়ত বিশেষ প্ৰাধান্য পায়।

৫। প্ৰাচীন শিক্ষ্যাব্যৱস্থাৰ দৰে ইছ্লাম শিক্ষাব্যৱস্থাতো শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজৰ এক সুসম্পৰ্ক আছিল। শিক্ষকসকলে ছাত্ৰক ব্যক্তিগতভাৱে মনোযোগ প্ৰদান কৰিছিল। সেই সময়ত শ্ৰেণীকোঠা শিক্ষাৰ ব্যৱস্থা নাছিল কিন্তু উপযুক্ত ছাত্ৰই প্ৰতিভা বিকাশৰ সুযোগ লাভ কৰিছিল।



৬। শিক্ষাৰ্থীৰ মেধা কৰ্ষণ কৰাৰ বাবে ৰজাঘৰৰ পৰা প্ৰয়োজন অনুযায়ী জলপাণি দিয়াৰ ব্যৱস্থাও আছিল। মেধাবী ছাত্ৰই বৃত্তি লাভৰ সুযোগে লাভ কৰিছিল।

৭। শিক্ষাব্যৱস্থাৰ ওপৰত ৰাষ্ট্ৰৰ প্ৰত্যক্ষ হস্তক্ষেপ নাছিল। যদিও শিক্ষানুষ্ঠানসমূহে ৰাজসাহায্য লাভ কৰিছিল তথাপিও শিক্ষা প্ৰদানৰ ক্ষেত্ৰত ৰজাঘৰে কোনো বিধি পথালি দিয়া নাছিল।

৮। উচ্চ শিক্ষা সমাপ্তিৰ পাছত বিভিন্ন সন্মান আৰু পদক দিয়াৰ ব্যৱস্থা আছিল। কিছু ক্ষেত্ৰত শিক্ষা শেষ কৰাৰ পাছত ছাত্ৰই ৰাজদৰবাৰৰ প্ৰশাসনীয় আৰু সামৰিক সেৱাত যোগদান কৰাৰ সুযোগ পাইছিল।

৯। যদিও নাৰী শিক্ষাৰ বহুল প্ৰচলন নাছিল, তথাপিও প্ৰয়োজন সাপেক্ষে কিছুসংখ্যক নাৰীয়ে সাধাৰণ শিক্ষা লাভ কৰাৰ সুযোগ লাভ কৰিছিল।

১০। শিক্ষক পবিত্ৰ ধৰ্ম বুলি গণ্য কৰা হৈছিল, গতিকে মোক্তাব আৰু মছজিদসমূহ সংলগ্ন হৈ আছিল। তদুপৰি মাদ্ৰাছাসমূহ পবিত্ৰ অনুষ্ঠান হিচাপে গণ্য কৰা হৈছিল।

## ইছ্লামীয় শিক্ষাৰ দুৰ্বল দিশসমূহ (Demerits of Islamic Education)

মুছলমান যুগৰ শিক্ষাৰ বিভিন্ন ভাল দিশ জড়িত থকা সত্ত্বেও তাৰ কিছুমান দুৰ্বল দিশো দেখা যায়। তদুপৰি শাসক অনুযায়ী শিক্ষাব্যৱস্থাৰ প্ৰকৃতি সঘনে সলনি হোৱা বাবেও বিভিন্ন দুৰ্বলতাই গা কৰি উঠিছিল। সেইবোৰ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি ঃ

১। এই শিক্ষাব্যৱস্থাত ধৰ্মনিৰপেক্ষতাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। বস্তুগত লাভালাভৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াৰ বাবে আধ্যাত্মিক দিশক উপেক্ষা কৰা হৈছিল। যদিও ধৰ্মৰ ভিত্তিত প্ৰাথমিক আৰু উচ্চ শিক্ষা প্ৰদান কৰা হৈছিল তথাপিও প্ৰাচীন শিক্ষাব্যৱস্থাৰ নিচিনাকৈ আধ্যাত্মিকতাই সিমান গুৰুত্ব পোৱা দেখা নাযায়।

২। মোক্তাব আৰু মাদ্ৰাছাসমূহ ৰাজসাহায্য আৰু ধনীক শ্ৰেণীৰ অনুগ্ৰহত চলিছিল। যিহেতু এই অনুষ্ঠানসমূহৰ আয়ৰ নিজা উৎস নাছিল গতিকে যিকোনো মুহূৰ্ততে এইবোৰ বন্ধ হৈ যোৱাৰ আশংকা আছিল। এক অনিশ্চিত শিক্ষাব্যৱস্থাই জ্ঞানৰ সম্পূৰ্ণ উৎকৰ্ষ সাধন কৰিব নোৱাৰে।

৩। শিক্ষা গ্ৰহণৰ মাধ্যম যিহেতু আৰবী নাইবা পাৰ্চী আছিল, গতিকে সকলো ধৰ্মৰ লোকে সমানে শিক্ষালাভ কৰাটো সহজ নাছিল। হিন্দুসকলেও ৰাজদৰবাৰত পদবী গ্ৰহণ কৰিবলৈ পাৰ্চী ভাষাত শিক্ষা লবলগীয়া হৈছিল। একমাত্ৰ সম্ৰাট আকবৰৰ দিনতহে হিন্দু ভাষাৰ বিদ্যালয়লৈ স্বীকৃতি দিয়াৰ ব্যৱস্থা আছিল।

৪। শিক্ষাব্যৱস্থা সৰ্বসাধাৰণৰ বাবে মুক্ত নাছিল। ল'ৰা আৰু ছোৱালী উভয়ে একেলগে শিক্ষালোৱাৰ সুবিধা নাছিল। তদুপৰি ধৰ্মৰ ভিত্তিত শিক্ষা দিয়াৰ বাবে আন ধৰ্মৰ লোকৰ বাবে শিক্ষা গ্ৰহণ কাৰাৰ সুবিধা কম আছিল।

৫। মুছলমানৰ ৰাজত্বকালত নাৰী শিক্ষাক অবহেলা কৰা হৈছিল। সমাজৰ মুষ্টিমেয় শ্ৰেণীৰ বাহিৰে বেছিভাগ নাৰীয়ে অশিক্ষিত হৈ আছিল। নাৰী শিক্ষাৰ বাবে শাসক নাইবা আন আন লোকে বিশেষ ব্যৱস্থা লোৱা দেখা নগৈছিল।

৬। মুছলমান শিক্ষাব্যৱস্থাত লিখা আৰু পঢ়া একেলগে দিয়া নহৈছিল। প্ৰথমতে পঢ়াবিদ্যা আয়ত্ব কৰাৰ পিছতহে লিখিবলৈ শিকোৱা হৈছিল। ইয়াৰ বাবে বহুতো মূল্যবান সময়ৰ অপব্যৱহাৰ হৈছিল আৰু শিক্ষাৰ্থীৰ সমবিকাশ হোৱা দেখা নগৈছিল।

৭। শিক্ষণ পদ্ধতিত মুখস্থ বিদ্যাক অধিক গুৰুত্ব দিয়া বাবে শিক্ষাৰ্থীৰ সৃষ্টিশীল প্ৰতিভাৰ বিকাশৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি হৈছিল।

৮। সাধাৰণ শিক্ষা সকলোৱে লাভ কৰিলেও উচ্চ শিক্ষাৰ বাবে শিক্ষাৰ্থীক উৎসাহিত কৰা দেখা নাযায়। তদুপৰি মাদ্ৰাছাৰ দুৱাৰ সকলোৰে বাবে মুকলি নাছিল।

মুছলমান যুগৰ শিক্ষাৰ বিভিন্ন দুৰ্বল দিশ থকা সত্ত্বেও ভাৰতবৰ্ষত প্ৰায় সাতশ বছৰ কাল এই শিক্ষাৰ পাঠ্যক্ৰম প্ৰচলন আছিল। বৰ্তমানেও মোক্তাব আৰু মাদ্ৰাছা শিক্ষাৰ পাঠ্যক্ৰম প্ৰচলন হৈ থকা দেখা যায়। মুষ্টিমেয় শ্ৰেণীৰ বাবে শিক্ষাৰ দ্বাৰ মুকলি আছিল যদিও সমাজৰ অধিকাংশ লোকে ইয়াৰপৰা বঞ্চিত হৈ থকাৰ বাবে এই শিক্ষাই ভাৰতবৰ্ষত সফলতা লাভ কৰিব নোৱাৰিলে।

## উচ্চ শিক্ষাৰ প্ৰধান কেন্দ্ৰসমূহ (Important seats of Learning)

ভাৰতবৰ্ষত প্ৰবেশ কৰাৰ পিছৰপৰা মুছলমানসকলে বিভিন্ন ঠাইত উপনিবেশ স্থাপন কৰে। এই উপনিবেশসমূহ পিছলৈ শিক্ষাৰ প্ৰধান কেন্দ্ৰ হিচাপে পৰিগণিত হয়। প্ৰাথমিক শিক্ষা মোক্তাবসমূহত প্ৰদান কৰা হৈছিল আৰু এই কেন্দ্ৰসমূহ মছজিদৰ সংলগ্ন আছিল। এই মোক্তাবসমূহ চহৰ, গাঁও আৰু বিভিন্ন জনবসতি এলেকাসমূহত স্থাপন কৰা হৈছিল। ভাৰতবৰ্ষৰ প্ৰতিটো অঞ্চলত এনে মোক্তাব স্থাপন কৰা হৈছিল। মাদ্ৰাছাসমূহ উচ্চ শিক্ষাৰ কেন্দ্ৰস্থল হিচাপে চহৰ অঞ্চলৰ স্থাপন কৰা হৈছিল। সাধাৰণতে জনজাতি ঘন অঞ্চলবোৰত এই কেন্দ্ৰসমূহ স্থাপন কৰিছিল। আগ্ৰা, ফতেহপুৰ, চিক্ৰি, দিল্লী, জোনপুৰ, লাহোৰ, আজমীৰ, বিহাৰ, লক্ষ্ণৌ, জলন্ধৰ, মুলতান, বিজাপুৰ আদিত এনে কেন্দ্ৰসমূহ স্থাপন কৰা হৈছিল। তলত এনে কিছুমান শিক্ষাকেন্দ্ৰৰ বিষয়ে উল্লেখ কৰা হ'ল—

**(১) আগ্ৰা (Agra)** ঃ চিকন্দৰ লোডীৰ সময়ত ইয়াত এশতকৈও অধিক মাদ্ৰাছা স্থাপন হৈছিল। তেওঁৰ পাছত বাবৰে বিভিন্ন ঠাইত মাদ্ৰাছা স্থাপন কৰে। আকবৰৰ দিনত আগ্ৰা ইছলামীয় শিক্ষা আৰু সভ্যতাৰ লগতে কলা আৰু হস্তশিল্পৰ কেন্দ্ৰস্থল হিচাপে বিশেষ সমাদৰ লাভ কৰে। আকবৰে আগ্ৰা আৰু ফতেহপুৰ চিক্ৰীত মাদ্ৰাছা স্থাপন কৰে। ইয়াত সাহিত্য, গণিত, দৰ্শন, চিকিৎসা, কৃষি, জ্যোতিষবিদ্যা আৰু বাণিজ্য বিষয়সমূহৰ চৰ্চা হৈছিল। এছিয়াৰ বিভিন্ন ঠাইৰপৰা অহা ছাত্ৰৰ বাবে থকা আৰু খোৱাৰ ব্যৱস্থা আছিল। আকবৰৰ ৰাজত্বকাল আগ্ৰাৰ বাবে সোণালী অধ্যায় বুলি অভিহিত কৰিব পাৰি। তেওঁৰ পাছত পুত্ৰ জাহাঙ্গীৰ আৰু নাতি ছাহজাহানেও বিভিন্ন মাদ্ৰাছা স্থাপন কৰে। ঔৰংগজেবেও এইক্ষেত্ৰত ইতিবাচক পদক্ষেপ আগবঢ়ায়। মোগল সাম্ৰাজ্যৰ পতনৰ লগে লগে কালক্ৰমত এই শৌৰ্য স্তিমিত হৈ আহে।



**(২) দিল্লী (Delhi)** ঃ মুছলমানসকলৰ ৰাজত্বকালৰ প্ৰথমৰপৰাই দিল্লী উচ্চ শিক্ষাৰ বিশেষ কেন্দ্ৰৰূপে পৰিগণিত হৈ আহিছে। চুলতানসকলৰ দিনৰপৰা মোগল সম্ৰাটসকললৈ দিল্লীৰ শৌৰ্য-বীৰ্য লেখতলবলগীয়া। নাছিৰুদ্দিনে মিনহাজী চিৰাজ (Minhaji Shiraj) ৰ তত্ত্বধানত নাছিৰীয় মাদ্ৰাছা স্থাপন কৰে। পিছলৈ দিল্লী শিক্ষা আৰু সভ্যতাৰ বাবে প্ৰখ্যাত হৈ উঠে। আলাউদ্দিন খিলীজিয়ে দিল্লীক পণ্ডিত আৰু দাৰ্শনিকৰ কেন্দ্ৰস্থল হিচাপে পৰিগণিত কৰে। খিলিজিয়ে স্থাপন কৰা মাদ্ৰাছাসমূহত ৪৩ গৰাকী প্ৰখ্যাত ধৰ্মগুৰুৱে আইন আৰু ধৰ্মৰ ওপৰত শিক্ষা দিয়ে। ফিৰোজছাহ টোগলকে দিল্লীত ৩০খন নতুন কলেজ প্ৰতিষ্ঠা কৰে আৰু পুৰণি কিছুমান মেৰামতি কৰে। তেওঁ দাসসকলৰ বাবেও শিক্ষাৰ ব্যৱস্থা কৰে।

মোগলসকলৰ দিনত দিল্লী শিক্ষা আৰু সভ্যতাৰ প্ৰাণকেন্দ্ৰ হৈ পৰে। হুমায়ুণে জ্যোতিৰ্বিদ্যা আৰু ভূগোলৰ শিক্ষা বিকাশ কৰিবলৈ এখন কলেজ স্থাপন কৰে। আকবৰেও কেইবাখনো শিক্ষাকেন্দ্ৰ স্থাপন কৰে। মহম অনাগা (Maham Anaga) নামৰ তেওঁৰ পৰিচাৰক গৰাকীয়ে ১৫৬১ চনত এখন মাদ্ৰাছা স্থাপন কৰে য'ত বাদাউনী (Badauni) য়ে শিক্ষা লাভ কৰিছিল।

জাহাংগীৰে পুৰণি মাদ্ৰাছাসমূহ পুণনিৰ্মাণ কৰে। ছাহজাহানে জুমা মছজিদৰ ওচৰত এখন কলেজ স্থাপন কৰে। ঔৰংগজেবেও এই দিশত যথেষ্ট অবদান আগবঢ়ায়। তেওঁৰ পিছত গাজী-উদ্-দিন য়ে এখন মাদ্ৰাছা নিৰ্মাণ কৰে। মোগল সাম্ৰাজ্য পতনৰ পিছত দিল্লীৰ প্ৰাচীন সুনাম ক্ৰমান্বয়ে কমি আহিবলৈ ধৰে।

**(৩) জোনপুৰ (Jaunpur)** ঃ চুলতানসকলৰ ৰাজত্বকালত জোনপুৰ শিক্ষাৰ এক প্ৰখ্যাত কেন্দ্ৰৰূপে পৰিগণিত হয়। বাদছাহ ফিৰোজছাহৰ দিনৰ পৰা জোনপুৰত বিভিন্ন পঢ়াশালি আৰু উচ্চ শিক্ষাৰ কেন্দ্ৰ স্থাপন হয়। কলা, সাহিত্য আৰু উচ্চ শিক্ষাৰ ক্ষেত্ৰত এই ঠাইখনে বিভিন্ন দিশত প্ৰাধান্য বিস্তাৰ কৰে। সেইবাবে ইয়াক চিৰাজ-ই-হিন্দ (Shiraj-i-Hind) বুলি অভিহিত কৰা হয়। ১৫ শ শতিকাত ইব্ৰাহিম চাৰ্কী (Ibrahim Sharki) য়ে শিক্ষাৰ বিকাশৰ বাবে যথেষ্ট কাম কৰে। তেওঁ এই শিক্ষাকেন্দ্ৰসমূহত জাগীৰ (Jagir) সংযোজন কৰি সমৰ্থবান ছাত্ৰক জলপাণি দিয়াৰ লগতে শিক্ষা সমাপ্তিৰ পাছত উচ্চ পদবীত মকৰল কৰাৰ সুযোগ দিছিল। ছেৰছাহ চুৰীয়ে (Shershah Suri) এই ঠাইতে শিক্ষালাভ কৰিছিল। জোনপুৰ ইতিহাস, দৰ্শন, ৰাজনীতি আৰু সামৰিক প্ৰশিক্ষণৰ প্ৰখ্যাত কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। ইয়াৰ উপৰিও হস্তশিল্প আৰু স্থপতিবিদ্যাৰ বাবে এই ঠাইখনৰ এটা বিশেষ পৰিচয় আছিল। মোগল সাম্ৰাজ্যৰ শেষ সময়লৈ ই শিক্ষাৰ বিশেষ প্ৰাণকেন্দ্ৰ আছিল।

**(৪) বিদাৰ (Bidar)** ঃ বিদাৰত মাহমুদ গভানে (Mahamud Gavan) এখন ডাঙৰ মাদ্ৰাছা স্থাপন কৰে আৰু ইয়াৰ লগত সহস্ৰাধিক গ্ৰন্থৰ সংযোজন কৰি এটি পুথিভঁৰাল প্ৰতিষ্ঠা কৰে। কিন্তু ঔৰংগজেবে ইয়াক ধ্বংস কৰে। বাহমনিৰ ৰজাৰ ৰাজত্বকালত বিদাৰ শিক্ষা আৰু সংস্কৃতিৰ এক উল্লেখযোগ্য স্থানস্বৰূপে পৰিগণিত হয়। আৰবী আৰু পাৰ্চী ভাষাৰ বিকাশৰ ক্ষেত্ৰত বাহমণিসকলে বিশেষ উদ্যোগ গ্ৰহণ কৰে। শিক্ষাৰ ক্ষেত্ৰত সকলোবোৰ শিক্ষানুষ্ঠানত একেধৰণৰ পাঠক্ৰম গ্ৰহণ কৰা হৈছিল যাৰ মূল উদ্দেশ্য আছিল ধৰ্মীয় নীতি আৰু মুছলমান শাসকসকলৰদ্বাৰা প্ৰণীত শিক্ষা আৰু সাহিত্য প্ৰচাৰ কৰা। বৰ্তমানেও ইয়াৰ অৱশেষ লক্ষ্য কৰা যায়।

## বৌদ্ধ যুগত ভাৰতৰ শিক্ষা ব্যৱস্থা (Buddhist Education System in India) ঃ

প্ৰাচীন বৈদিক শিক্ষাৰ আধাৰতেই বৌদ্ধ শিক্ষা ব্যৱস্থা গা কৰি উঠিছিল। হিন্দুধৰ্মত দেখা দিয়া কিছু সামাজিক দুৰ্বলতাই বৌদ্ধধৰ্মৰ প্ৰশস্ত কৰিছিল। ধৰ্মীয় অনুভূতিৰ নামত পালন কৰা কিছুমান আচাৰ-অনুষ্ঠানে হিন্দুধৰ্মৰ অস্তিত্ব অপ্ৰাসংগিক কৰি তুলিছিল। বিশেষকৈ যাগ-যজ্ঞৰ নামত আগবঢ়োৱা জন্তু বলিদানে বহু লোকৰ মনত হিন্দু ধৰ্মৰ প্ৰতি বিদ্বেষ ভাবে গা কৰি উঠিছিল। ফলস্বৰূপে খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতাব্দীত (6th BC) ভাৰতবৰ্ষত বৌদ্ধধৰ্মই গা কৰি উঠিছিল। ইয়াৰ প্ৰৱৰ্তক আছিল গৌতম বুদ্ধ। হিন্দুধৰ্মৰ আধাৰতেই বৌদ্ধধৰ্মৰ প্ৰতিষ্ঠা হোৱা হেতুকে হিন্দুধৰ্মত পালন কৰা বহুতো নীতি আৰু সূত্ৰ বৌদ্ধধৰ্মত প্ৰচলিত হোৱা দেখা যায়। ভগৱান বুদ্ধৰ মতে মানৱ জীৱন দুখ-হতাশাৰে ভৰপূৰ। গতিকে আত্মমুক্তিৰ বাবে (Salvation) সাংসাৰিক মায়া-মোহৰ বান্ধোনৰ পৰা আঁতৰি থাকিব লাগে। জাগতিক বান্ধোনৰ পৰা মুক্তিৰ উপায় বিচৰাৰ ফলশ্ৰুতিতেই বৌদ্ধধৰ্মৰ জন্ম। গতিকে আত্মমুক্তিৰ পথো ইয়াত নিৰ্দেশ কৰা আছে। 'নিৰ্বাণ' হৈছে ইয়াৰ একমাত্ৰ উপায়।

গৌতম বুদ্ধৰ ধৰ্ম সম্পৰ্কীয় ধাৰণা হিন্দুতকৈ কিছু পৃথক আছিল। তেখেতৰ মতে বলি বিধানৰ দ্বাৰা হিংসাক প্ৰশ্ৰয় দিয়া হয় আৰু ইয়াৰদ্বাৰা অৰ্থৰ অপচয় হয়। গতিকে আমি ইয়াক ৰোধ কৰিব লাগে। আনহাতে বেদসমূহৰ কোনো ঐশ্বৰিক মাহাত্ম্য নাই, গতিকে আন আন পুথিৰ দৰে বেদসমূহকো সাধাৰণ পুথি হিচাপে গণ্য কৰা হওক। তদুপৰি জীৱনৰ এটা উল্লেখযোগ্য সময় ডেকা কালছোৱা একমাত্ৰ মুখ বিদ্যা আহৰণ কৰাৰ ফলত বহু কৰ্মশক্তিৰ অপচয় হয়। যিহেতু হিন্দুধৰ্মই কাল্পনিক শক্তিক ভগৱান হিচাপে পূজা কৰে, গতিকে ইয়াৰ বিপৰীতে প্ৰকৃত শক্তিক বিচাৰি উলিওৱা প্ৰয়োজন।

গতিকে দেখা যায় হিন্দুধৰ্মৰ বিভিন্ন দুৰ্বলতাসমূহে বৌদ্ধধৰ্মৰ উত্থানক সহায় কৰিছিল। গৌতম বুদ্ধই নিজে ব্ৰাহ্মণৰদ্বাৰা শিক্ষা লাভ কৰিছিল। যদিও বৌদ্ধ শিক্ষা ব্যৱস্থাত বৰ্ণভেদে ঠাই পোৱা নাছিল, তথাপি ক্ষুদ্ৰ জাতিসকলৰ মাজৰ যিসকলৰ বিদ্যা গ্ৰহণৰ ক্ষেত্ৰত উৎসুকতা আছিল, তেওঁলোককহে শিক্ষাদানৰ ব্যৱস্থা আছিল। বুদ্ধই জন্মৰ ভিত্তিত এজন লোকক ব্ৰাহ্মণ বুলি স্বীকৃতি দিবলৈ অস্বীকাৰ কৰিছিল। এক পৱিত্ৰ আৰু সৰল জীৱন যাপনৰ ভিত্তিত তেওঁ এগৰাকী ভিক্ষুৰ পৰিচয় প্ৰদান কৰিছিল। সাংসাৰিক মায়া-মোহৰ বান্ধোনৰ পৰা আঁতৰত থাকি বাল্য কালৰে পৰা বিভিন্ন উপায়ে শিক্ষা আহৰণ কৰি অতি সাধাৰণ জীৱন যাপন কৰি 'নিৰ্বাণ' লাভ কৰাৰ বাবে যিয়ে আত্ম উৎসৰ্গ কৰিছিল তেৱেঁই এগৰাকী ভিক্ষু হোৱাৰ যোগ্যতা আহৰণ কৰিছিল। বৌদ্ধ শিক্ষাৰ কেন্দ্ৰ আছিল মঠ বা বিহাৰসমূহ (Monasteries or Viharas) শিক্ষাব্যৱস্থা ভিক্ষুকসকলৰ দ্বাৰা নিয়ন্ত্ৰিত আছিল। ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ উভয় ব্যৱস্থাই প্ৰচলিত আছিল। সত্য আৰু অহিংসাই বৌদ্ধধৰ্মৰ শিক্ষাৰ মূল দৰ্শন। প্ৰথমে শিক্ষা ব্যৱস্থা বৌদ্ধ ভিক্ষু-ভিক্ষুণীৰ বাবে প্ৰযোজ্য আছিল, কিন্তু পিছলৈ জনসাধাৰণৰ বাবেও এই শিক্ষা মুকলি কৰি



দিয়া হ'ল। প্ৰত্যেক শিক্ষাৰ্থীকে বৌদ্ধ ধৰ্ম দৰ্শনৰ বিষয়ে শিক্ষা দিয়াটো বাধ্যতামূলক আছিল। ইয়াৰ সহায়ত বৌদ্ধধৰ্ম প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছিল। বৈদিক শিক্ষাব্যৱস্থাৰ নিচিনাকৈ বৌদ্ধ শিক্ষাতো কিছুমান আচাৰ-অনুষ্ঠান পালন কৰা হৈছিল।

### প্ৰব্ৰজ্যা (Prabrajja or Pabbajya)

বৌদ্ধ শিক্ষা ব্যৱস্থাৰ প্ৰথম আনুষ্ঠানিকতা আছিল প্ৰব্ৰজ্যা। 'শ্ৰমণ' হিচাপে এজন বালকৰ প্ৰথম আৰম্ভণি তিনিটা বাক্যৰে আৰম্ভ কৰা হয়— 'বুদ্ধং শৰণং গচ্ছামি, ধৰ্মং শৰণং গচ্ছামি, সংঘং শৰণং গচ্ছামি'। এই ক্ষেত্ৰত বৰ্ণভেদৰ ঠাই নাছিল। বুদ্ধৰ মতে সাগৰে যিদৰে প্ৰতিটো নদীক আদৰি লয়, সেইদৰে সংঘই সকলো লোককে আদৰি লয়। আঠ বছৰ বয়সত এই জীৱন আৰম্ভ হয়। গৃহত্যাগ কৰি যিকোনো এজন ভিক্ষুৰ অধীনত তেওঁ শিক্ষাগ্ৰহণ কৰিব পাৰে। ইয়াৰ বাবে মুণ্ডন কৰি হালধীয়া বস্ত্ৰ পৰিধান কৰিব লাগিছিল। এজন শ্ৰমণে কেতিয়াও হিংসাত্মক কাৰ্যত লিপ্ত হ'ব নোৱাৰিব, মিছা ক'ব নোৱাৰিব, নিচাযুক্ত খাদ্য গ্ৰহণ কৰিব নোৱাৰিব, মাছ-মাংস খাব নোৱাৰিব আৰু নাচ-গানত অংশ ল'ব নোৱাৰিব। কিছুমান মাৰাত্মক ব্যাধি, যেনে— কুষ্ঠ, স্কাৰ্ভি নাইবা আন আন সোঁচৰা ব্যাধি থাকিলে কোনেও সংঘত প্ৰৱেশ কৰিব নোৱাৰিব। তদুপৰি দাস, অপৰাধ আৰু চৰকাৰী চাকৰিয়াল বিশেষকৈ সৈনিকসকলৰ বাবে ইয়াৰ দুৱাৰ বন্ধ আছিল।

### উপসম্পদা (Upasampada or Final Ordination)

উপসম্পদা হৈছে চূড়ান্ত অনুষ্ঠান। সংগত ১২ বছৰ অতিক্ৰম কৰা পিছত ২০ বছৰ বয়সত এই অনুষ্ঠান পালন কৰা হৈছিল। শ্ৰমণৰ পৰা ভিক্ষা হোৱাৰ পাছত তেওঁৰ পৰিয়ালৰ লোকৰ লগত কোনো সম্বন্ধ নাথাকে। বৈদিক যুগত এক মুষ্টিমেয় ব্যক্তিয়েহে সন্ন্যাসা নাইবা ব্ৰহ্মচৰ্য ব্ৰত পালন কৰিছিল, কিন্তু বৌদ্ধ শিক্ষা ব্যৱস্থাত প্ৰত্যেক ভিক্ষুই ব্ৰহ্মচৰ্য পালন কৰিবলৈ বাধ্য। কালক্ৰমত নাৰীসকলকো এই ব্যৱস্থাত অন্তৰ্ভুক্ত কৰা হৈছিল। প্ৰব্ৰজ্যা অনুষ্ঠান এক নিৰ্দিষ্ট সময়ৰ বাবে নিৰ্ধাৰিত হৈছিল, কিন্তু উপসম্পদা গোটেই জীৱনজুৰি ভিক্ষুক স্থায়ীৰূপত বন্ধন কৰিছিল। এই অনুষ্ঠান সংঘৰ সকলো ভিক্ষুৰ উপস্থিতিত গোটেই জীৱনজুৰি ভিক্ষুক স্থায়ীৰূপত বন্ধন কৰিছিল। এই অনুষ্ঠান সংঘৰ সকলো ভিক্ষুৰ উপস্থিতিত গণতান্ত্ৰিকভাৱে পালন কৰা হৈছিল। হাতত ভিক্ষাৰ পাত্ৰ লৈ একবস্ত্ৰ হৈ এটা বাহু হালধীয়া বস্ত্ৰৰে ঢাকি লৈ মূৰ দোঁৱাই বহি লৈ যিকোনো এগৰাকী উপাধ্যায় নিৰ্বাচন কৰি ল'ব লাগে। যদিহে কোনো ভিক্ষু নিৰ্ধাৰিত আচাৰ-ৰীতিৰ পৰা আঁতৰি আহি পাৰ্থিৱ মোহত বন্দী হয়। তেন্তে তেওঁ নিজৰ দোষ যিকোনো এজনক সাক্ষীৰূপে লৈ স্বীকাৰ কৰি সেই পথ ত্যাগ কৰি সংঘৰপৰা বাহিৰ হৈ আহিব পাৰে। তেওঁক ধৰ্মীয় বান্ধোনৰপৰা মুক্ত কৰি দিয়া হয়।

## ছাত্ৰ-শিক্ষকৰ সম্পৰ্ক (Teacher-Pupil Relationship)

বৈদিক শিক্ষাব্যৱস্থাৰ দৰে বৌদ্ধ শিক্ষা ব্যৱস্থাতো শিক্ষক-ছাত্ৰৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক বিশ্বাস, পৱিত্ৰ আৰু আদৰৰ আছিল। উপাধ্যায়ৰ বিভিন্ন প্ৰয়োজনীয় কৰ্ম সম্পাদন কৰি দি ছাত্ৰই জ্ঞান আহৰণ কৰিছিল। শিক্ষকতকৈ আগতে শয্যা ত্যাগ কৰা আৰু উপাধ্যায় শয্যালৈ যোৱাৰ পিছত শয্যা গ্ৰহণ কৰাটো ছাত্ৰৰ পৱিত্ৰ কৰ্তব্য আছিল। প্ৰাতঃকালত উঠিয়েই শিক্ষকক পানী, দাঁত মাজন যোগান ধৰা, ভিক্ষাৰ পাত্ৰ চাফা কৰা আসন আৰু আহাৰ যোগান ধৰা ইত্যাদি কামসমূহ কৰি দিব লাগিছিল। তদুপৰি উপাধ্যায় কোনো ঠাইলৈ ভ্ৰমণ কৰিবলৈ গ'লে শিক্ষাৰ্থীও লগত যাব লগা হৈছিল। ইয়াৰ উপৰি থকা ঠাই পৰিষ্কাৰ কৰা, ভিক্ষা গ্ৰহণ কৰি অনা, শিক্ষকৰ লগত ভ্ৰমণলৈ যাওঁতে এক নিৰ্দিষ্ট দূৰত্ব ৰখা কৰা ইত্যাদি কামসমূহ কৰাৰ উপৰি কাপোৰ-কানিও পৰিষ্কাৰ কৰি দিবলগীয়া হৈছিল।

শিক্ষাৰ্থীৰ প্ৰতিও শিক্ষকৰ যথেষ্ট কৰণীয় আছিল। শিক্ষাৰ্থীক নিজ পুত্ৰৰ দৰে পালন কৰা, অনুশাসনৰ শিক্ষা দিয়া, সহজ জীৱন যাপন কৰিবলৈ উদ্‌গনি যোগোৱা, সাংসাৰিক আৰু বস্তুবাদী জীৱনৰ পৰা আঁতৰি থকা, প্ৰয়োজনসাপেক্ষে শিক্ষাৰ্থীক বস্ত্ৰ আৰু খাদ্য প্ৰদান কৰা আৰু ৰোগ-আজাৰত শিক্ষাৰ্থীক যত্ন লোৱা ইত্যাদি উপাধ্যায়ৰ দায়িত্বৰ ভিতৰত আছিল। তেওঁলোকৰ মহান দায়িত্ব আছিল শিক্ষাৰ্থীক উচ্চস্তৰৰ বৌদ্ধিক আৰু আধ্যাত্মিক শিক্ষা প্ৰদান কৰা।

গতিকে দেখা যায় যে শিক্ষক আৰু শিক্ষাৰ্থীৰ সম্বন্ধ অতি আন্তৰিক আৰু সমভাবাপন্ন আছিল। প্ৰাচীন শিক্ষাব্যৱস্থাৰ শিক্ষক-শিক্ষাৰ্থীৰ পৰম্পৰা এই ক্ষেত্ৰত অটুট আছিল। উপাধ্যায়ে নিজে এটি সৰল আৰু পৱিত্ৰ জীৱন যাপন কৰি শিক্ষাৰ্থীৰ আগত নিজে এক আদৰ্শ হিচাপে থিয় দিছিল। ছাত্ৰৰপৰা সন্মান আদায় কৰিবলৈ শিক্ষকে উচ্চ শিক্ষণ যোগ্যতা, সৰ্বোত্তম নৈতিক চৰিত্ৰ, আত্মসম্বৰণ আৰু উচ্চ আধ্যাত্মিক চিন্তাৰ প্ৰতীক হিচাপে নিজকে পৰিচয় দিছিল। চীনা পৰিব্ৰাজক হিউৱেন চাঙৰ লিখনিত দেখা যায় যে নালন্দা, তক্ষশীলা আদি বিখ্যাত বিহাৰসমূহ উচ্চশিক্ষাৰ কেন্দ্ৰস্বৰূপে গঢ় লৈ উঠিছিল।

## শিক্ষাৰ্থীৰ বাসস্থান (Residential Facility)

বৌদ্ধ শিক্ষাৰ শিক্ষাৰ্থীসকল বৌদ্ধ মঠসমূহত বসবাস কৰিছিল। বৌদ্ধ বিহাৰসমূহ ধৰ্মীয় শিক্ষাৰ প্ৰাণকেন্দ্ৰ আছিল। বিভিন্ন ঠাইত থকা মঠসমূহ এই বিহাৰসমূহৰ পৰা পৰিচালিত হৈছিল। উপধ্যায় আৰু ভিক্ষুসকল মঠসমূহত একেলগে বাস কৰিছিল। নালন্দাত হাজাৰ হাজাৰ শিক্ষক-শিক্ষাৰ্থী একেলগে বাস কৰিছিল। প্ৰথম অৱস্থাত বৌদ্ধধৰ্মৰ প্ৰচাৰৰ বাবে ভিক্ষুসকল হাবি, গুহা আৰু গছৰ তলত আশ্ৰয় লৈছিল। কিন্তু পিছলৈ গৌতম বুদ্ধই তেওঁলোকক গৰমদিন, বৰফ পৰা, ধুমুহা, শিলাবৃষ্টি, বৰষুণ আদি দিনত বিহাৰসমূহত বাস কৰিবলৈ নিৰ্দেশ দিছিল। সমাজৰ আঢ্যৱন্ত সমাজে তেওঁলোকক বাস কৰিবলৈ 'বৰ্ষাবাস'



DCNL Mayang Anchalik College Estd : 1992 Date........ P.O.- Rajamayang Dist.- Morigaon

(Varshavasas) সাজি দিছিল। বিহাৰসমূহ ৰাজকীয় প্ৰাসাদৰ দৰে আছিল। ৰজা বিম্বিসাৰে এই বিহাৰ আটকধুনীয়াকৈ সজাই দিছিল।

বৌদ্ধ বিহাৰসমূহ একমাত্ৰ ধৰ্মীয় শিক্ষাৰ কেন্দ্ৰই নাছিল, বৰং ধৰ্মনিৰপেক্ষ কলা আৰু শিল্পকলাৰ কেন্দ্ৰও আছিল। বিভিন্ন কাৰিকৰী আৰু প্ৰযুক্তিবিদ্যা যেনে— ছবি অঁকা, ভাস্কৰ্য, নক্সা অংকন আদিৰ চৰ্চাও হৈছিল। কিছুমান ছাত্ৰ শিক্ষকৰ লগত বাস নকৰি নিজ গৃহত বাস কৰিছিল আৰু শিক্ষাৰ বাবে বিহাৰসমূহলৈ গৈছিল। বিখ্যাত বিশ্ববিদ্যালয়সমূহত আবাসিক ব্যৱস্থা আছিল আৰু ছাত্ৰসকলে তাত থাকি পঢ়া-শুনা কৰিছিল।

## খাদ্যাভ্যাস (Food Habit)

বৌদ্ধ ভিক্ষুসকলে অতি সাধাৰণ খাদ্য গ্ৰহণ কৰিছিল। শ্ৰৱণসকলে ওচৰ-চুবুৰীয়া গাঁওসমূহলৈ গৈ উপাধ্যায়স ক লৰ লগত ভিক্ষা কৰি আনি যি পাইছিল, তাৰে পেট প্ৰৱৰ্তাইছিল। প্ৰয়োজনতকৈ বেছিকৈ ভিক্ষা কৰাটো নিষিদ্ধ আছিল। কেতিয়াবা বিভিন্ন গৃহস্থই উপাধ্যায় আৰু ভিক্ষুসকলক নিমন্ত্ৰণ কৰিছিল। তেওঁলোকৰ প্ৰধান খাদ্য আছিল ফলমূল, গাখীৰ-ভাত, পায়ঁস, কুঁহিয়াৰ ইত্যাদি।

## পাঠ্যক্ৰম (Curriculum)

যিহেতু বৌদ্ধধৰ্মৰ দৰ্শন প্ৰধানকৈ 'নিৰ্বাণ' আছিল, গতিকে বৌদ্ধ ভিক্ষুসকলে ধৰ্মগ্ৰন্থসমূহ বিশেষভাৱে অধ্যয়ন কৰিছিল। তেওঁলোকৰ প্ৰধান পাঠ্য বিষয় আছিল চুটন্তা (Suttanta) বিনয় (Vinaya), আৰু ধৰ্ম (Dharmma)। বৌদ্ধ শিক্ষাৰ প্ৰধান পাঠ্যক্ৰম আছিল— বোৱা-কঁটা, কাপোৰত চানেকী অঁকা, চিলাই কৰা, গণনাবিদ্যা, ছবি অঁকা আৰু ফুলতোলা, আয়ুৰ্বেদ নাইব্য শল্যবিদ্যা আৰু মুদ্ৰণ।

শিক্ষাব্যৱস্থা দুই ভাগত বিভক্ত হৈছিল— প্ৰাথমিক আৰু উচ্চ শিক্ষা। প্ৰাথমিক শিক্ষাত লিখা, পঢ়া আৰু গণনা (3R's) আৰু উচ্চশিক্ষাত ধৰ্মীয় শিক্ষা, দৰ্শন, চিকিৎসাশাস্ত্ৰ, সেনাবাহিনীৰ শিক্ষা আৰু তেনে ধৰণৰ বিষয় অন্তৰ্ভুক্ত কৰা হৈছিল। পাঠ্যক্ৰম নিৰ্বাচনত ধৰ্মীয় বা বৰ্ণভেদে প্ৰভাৱ বিস্তাৰ কৰা নাছিল। তক্ষশীলা বিশ্ববিদ্যালয়ত পঢ়িবলৈ বহু দূৰ-দূৰণিৰ ছাত্ৰ আহি শিক্ষা গ্ৰহণ কৰিছিল। বেদৰ ওপৰত শিক্ষা প্ৰদান কৰা হিন্দু আৰু বৌদ্ধধৰ্মৰ দৰ্শনৰ মাজত প্ৰভেদ নিৰ্ণয় কৰিবলৈ তুলনামূলক অধ্যয়ন কৰা হৈছিল। বোধিসত্বই নিজেই বেদৰ জ্ঞান আহৰণ কৰিছিল।

জাতকত উল্লিখিত বিষয়সমূহৰ ভিতৰত তক্ষশীলাত হস্তীবিদ্যা, সন্মোহিনী বিদ্যা, উচ্চাৰণ, চিকাৰ, চৰাই-চিৰিকতিৰ ভাষা, ধনুৰ্বিদ্যা, সৰ্পবিদ্যা, চিকিৎসা বিদ্যাৰ ভিতৰত শিক্ষাৰ্থীয়ে যিকোনো এটা বিষয়ত আধিপত্য বিস্তাৰ কৰিব লাগে। ব্যৱহাৰিক আৰু তাত্ত্বিক উভয় দিশত শিক্ষা আগবঢ়োৱা হৈছিল। ভ্ৰমণ আৰু বিদেশগমন ব্যৱহাৰিক শিক্ষাৰ অংগ হিচাপে গ্ৰহণ কৰা হৈছিল। সেই সময়ত সমসাময়িক বেদৰ

শিক্ষাৰো প্ৰচলন আছিল। বেদ, ইতিহাস, পুৰাণ, ব্যুৎপত্তি, ব্যাকৰণ, জ্যোতিষ, বেদাংগ, সাংখ্যযোগ, ঐশ্বৰিকযোগ, ন্যায় সংগীত, চিকিৎসাবিদ্যা ইত্যাদি বিষয়সমূহ বৌদ্ধ শিক্ষাৰ কেন্দ্ৰসমূহত স্থাপন কৰা হৈছিল।

চীনা পৰিব্ৰাজক ফাহিয়ান (Fa-Hien)ৰ মতে খ্ৰীষ্টাব্দ পঞ্চম শতিকাত ভাৰতবৰ্ষত ভাৰতবৰ্ষত বৈদিক শিক্ষা বিশেষ জনপ্ৰিয় আছিল। বৌদ্ধ ভিক্ষুসকলৰ বাবে বিনয় সাহিত্য শিক্ষাৰ প্ৰধান বিষয় আছিল। উচ্চ শিক্ষাৰ বাবে সংস্কৃত ভাষা অপৰিহাৰ্য আছিল। তেওঁ পাটলিপুত্ৰত তিনি বছৰৰ বাবে থাকি সংস্কৃত ভাষা আয়ত্ত কৰিছিল। তদুপৰি পালি আৰু আন আন স্থানীয় ভাষাৰো ব্যৱহাৰ হৈছিল। বৌদ্ধ সাহিত্য পালি ভাবাত ৰচিত হৈছিল। হিউয়েন চাং (Hiuen-Tsang)ৰ মতেও চাৰি বেদৰ শিক্ষা সেই সময়ত প্ৰচলন আছিল। বৌদ্ধ মঠসমূহত উপাধ্যায় আৰু আচাৰ্যসকলে শিক্ষা প্ৰদান কৰিছিল। তেওঁৰ মতে প্ৰাথমিক শিক্ষা (3Rs)ৰ উপৰি বৌদ্ধ ধৰ্মৰ নীতিৰ মাজত আৱদ্ধ আছিল। ব্যাকৰণৰ জ্ঞান বাধ্যতামূলক আছিল, তদুপৰি শব্দ, বাক্য, স্বৰবৰ্ণ, ব্যঞ্জন বৰ্ণ, সন্ধি, সমাস আৰু আন আন ব্যাকৰণৰ জ্ঞান প্ৰয়োজনীয় আছিল। গতিকে প্ৰাথমিক শিক্ষাত ধৰ্মীয় আৰু ধৰ্মনিৰপেক্ষ উভয় শিক্ষা প্ৰদান কৰা হৈছিল। উচ্চশিক্ষাৰ কেন্দ্ৰ নালন্দাত যোগাসন আৰু আধ্যাত্মিক বিজ্ঞানৰ শিক্ষা দিয়া হৈছিল। বিক্ৰমশীলাত দৰ্শন বিষয়টো বিশেষভাৱে চৰ্চা কৰা হৈছিল। তদুপৰি ন্যায়শাস্ত্ৰৰ শিক্ষাও প্ৰদান কৰা হৈছিল। আন এগৰাকী পৰিব্ৰাজক আই চিঙ (I-Tsing)ৰ মতে বেদৰ উপৰিও ত্ৰিপিটকৰ শিক্ষাও প্ৰদান কৰা হৈছিল।

## বৃত্তিমূলক শিক্ষা (Vocational Education)

বৌদ্ধ শিক্ষাব্যৱস্থাত ধৰ্মীয় অনুভূতিৰ প্ৰভাৱ থাকিলেও এই শিক্ষাৰ বৃত্তিমুখিয়াও লক্ষ্য কৰা যায়। বুদ্ধদেৱে বোৱন-কাটন আৰু চিলাই কাম কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। বৌদ্ধ মঠসমূহত থকা ভিক্ষুসকলক এই বিষয়বোৰৰ ওপৰত শিক্ষা ল'বলৈ কোৱা হৈছিল। ইয়াৰোপৰি আয়ুৰ্বেদ আৰু শল্য চিকিৎসাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছিল। জীৱন সেই সময়ৰ এগৰাকী প্ৰখ্যাত শল্য চিকিৎসক আছিল। সাত বছৰ চিকিৎসা শাস্ত্ৰ অধ্যয়ন কৰাৰ পিছত বিভিন্ন ঠাইত ভ্ৰমণ কৰি তেখেতে চিকিৎসাবিদ্যাৰ ওপৰত বিশেষ প্ৰাধান্য আহৰণ কৰিছিল। তেওঁক উজ্জয়িনীলৈ এই দিশত আলোচনা কৰিবৰ বাবেও নিমন্ত্ৰণ কৰা হৈছিল।

চৰককে আয়ুৰ্বেদ শাস্ত্ৰৰ 'পিতৃ' বুলি অভিহিত কৰিব পাৰি। বিভিন্ন ঠাইৰপৰা ছাত্ৰসকল তক্ষশীলালৈ অহাৰ লগতে ৰাজগৃহৰ পৰাও চিকিৎসা শাস্ত্ৰৰ ওপৰত জ্ঞান লাভ কৰিবলৈ তক্ষশীলালৈ শিক্ষাৰ্থীৰ আগমন ঘটিছিল। সেই সময়ৰ প্ৰখ্যাত চিকিৎসক আছিল— নাৰদ, ধন্বন্তৰী, অংগৰিক, কপিল, অতুল আৰু পূৰ্ব্ব কাত্যায়ন ইত্যাদি। চিকিৎসা বিদ্যাৰ উপৰি সৰ্পই কামুৰিলে আৰোগ্য নিদানৰ ওপৰতো জ্ঞান অৰ্জন কৰা হৈছিল।



ইয়াৰ উপৰি বিভিন্ন হস্তবিদ্যা আৰু কলাৰ ওপৰত জ্ঞান আহৰণৰ গুৰুত্ব দিয়া হৈছিল। নালন্দা আৰু বিক্ৰমশিলাৰ কাৰুকাৰ্য, প্ৰাসাদোপম অট্টালিকা, মৃৎ আৰু ভাস্কৰ্য, খোদিতকাৰ্য, বৌদ্ধবিহাৰ স্তুপ ইত্যাদিসমূহত বিভিন্ন কলাৰ পৰিচয় পোৱা যায়। সাধাৰণ ব্যক্তিসকল কৃষি, বাণিজ্য, কুটীৰশিল্প, জীৱ-জন্তু পালন আদি কাৰ্যত ব্যস্ত হৈ আছিল।

## শিক্ষণ পদ্ধতি (Methods of Teaching)

বৈদিক যুগৰ দৰেই বৌদ্ধ শিক্ষাৰ শিক্ষণ পদ্ধতি মৌখিক আছিল। সিদ্ধিবিহাৰকসকলে ব্যাকৰণৰ মূল আৰু সন্ধিসমূহ মুখস্থ বিদ্যাৰ সহায়ত আওৰাইছিল। যিহেতু আচাৰ্য আৰু সিদ্ধিবিহাৰসমূহ একেলগে মঠসমূহত আছিল, গতিকে তেওঁলোকৰ শিক্ষাদান আৰু শিক্ষাগ্ৰহণ পদ্ধতি প্ৰত্যক্ষ আছিল। যিসকলে বৌদ্ধ ধৰ্মৰ প্ৰতি সহানুভূতিশীল আছিল তেওঁলোকে ভিক্ষুসকলক ঘৰলৈ আমন্ত্ৰণ কৰি আনি শিক্ষা গ্ৰহণ কৰিছিল। বিহাৰসমূহত হেতু-বিদ্যা (Hetu-Vidya) নাইবা নিগমনাত্মক পদ্ধতিৰে শিক্ষা দিয়া হৈছিল। বিভিন্ন ধৰ্মৰ ওপৰত আলোচনা আৰু দৰ্শনৰ জ্ঞান সময়ে সময়ে প্ৰদান কৰা হৈছিল। ছাত্ৰসকলক পাঠ আৰম্ভণিৰ পৰাই তৰ্কবিদ্যাৰ ওপৰত শিক্ষা প্ৰদান কৰা হৈছিল। ইয়াৰ সহায়ত মানসিক শক্তিৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। ছাত্ৰসকলে বিভিন্ন সমস্যাৰ ওপৰত সময়ে সময়ে বক্তৃতা দিবলগীয়া হৈছিল। জীৱনৰ বিভিন্ন সমস্যাৰ আলোকপাত কৰাৰ লগতে ইয়াৰ আলোচনা-বিলোচনাৰ মাধ্যমেৰে বিভিন্ন বিষয় আৰু জীৱন দৰ্শন সম্পৰ্কে একে ধাৰণা নিজৰ মনত গঢ় দি তুলিছিল।

ভ্ৰমণক শিক্ষাৰ এক অংগ হিচাপে গণ্য কৰা হৈছিল। কিছুমান শিক্ষকৰ কাম আছিল বিভিন্ন দেশ আৰু ঠাই ভ্ৰমণ কৰি সৰ্বসাধাৰণৰ মাজত জ্ঞান বিস্তৃত কৰা। তেনে কিছুমান শিক্ষক আছিল চাৰিপুত্ত, মহামুগলন (Mahamuggallan), অনুৰাধা (Anuradha), আনন্দ (Ananda), ৰাহুল (Rahul) আদি। যিসকলে বিভিন্ন ঠাই ভ্ৰমি জ্ঞান বিতৰণ কৰিছিল। বৌদ্ধ মঠসমূহত শিক্ষাগ্ৰহণ কৰা ছাত্ৰসকলে শিক্ষা সমাপ্তিৰ অন্তত বিভিন্ন ঠাই ভ্ৰমণ কৰি ব্যৱহাৰিক শিক্ষা লাভ কৰাটো বাধ্যতামূলক আছিল। মাজে-সময়ে বিভিন্ন মঠসমূহৰ পৰা ভিক্ষুসকলক আমন্ত্ৰণ কৰি আনি ধৰ্মীয় আৰু দাৰ্শনিক দিশৰ ওপৰত বক্তৃতা দিয়াৰ ব্যৱস্থা কৰাৰ লগতে আলোচনাৰ ব্যৱস্থাও কৰা হৈছিল। ছাত্ৰসকলেও এই সন্মিলনসমূহত অংশ গ্ৰহণ কৰি জ্ঞান বৰ্দ্ধনৰ সুযোগ গ্ৰহণ কৰিব পাৰিছিল। বহুসংখ্যক ভিক্ষুই অৰণ্যৰ মাজত ঘোৰ তপস্যা কৰি জীৱন সম্পৰ্কে পৰম সত্য অন্বেষণত ব্ৰতী হৈ জীৱন কটাইছিল। কিন্তু এনে ভিক্ষুৰ সংখ্যা একেবাৰে কম আছিল।

কিছুমান বিশেষ কাৰিকৰী বিষয় আৰু কলা, বিজ্ঞানৰ ক্ষেত্ৰত ব্যৱহাৰিক আৰু তাত্বিক উভয় দিশৰ জ্ঞান প্ৰদান কৰা হৈছিল। কলা আৰু হস্তবিদ্যাৰ ক্ষেত্ৰত ছাত্ৰসকলে সেই দিশত পাৰ্গত ব্যক্তিৰ অধীনত

থাকি শিক্ষা গ্ৰহণ কৰাৰ লগতে তেওঁলোকৰ লগত কাম কৰিব লাগিছিল। বোৱন, সূতাকঁটা, ভাস্কৰ্য আদি বিষয়সমূহ এইক্ষেত্ৰত উল্লেখযোগ্য।

## নাৰী শিক্ষা (Female Education)

বৌদ্ধধৰ্মৰ মত অনুযায়ী নাৰীক পুৰুষতকৈ নিম্ন খাপৰ বুলি গণ্য কৰা হৈছিল। ভিক্ষুসকলৰ সংসাৰ ধৰ্মৰ লগত কোনো ধৰণৰ সম্পৰ্ক নাছিল বাবে তেওঁলোকে নাৰীৰ সংস্পৰ্শলৈ আহিবলৈ ভয় কৰিছিল। তদুপৰি বৌদ্ধধৰ্মৰ মতে ভিক্ষুসকলে জীৱন নিৰ্বাহৰ বাবে দৈনন্দিন ভিক্ষা কৰাটো বাধ্যতামূলক আছিল, যিটো সকলো নাৰীৰ বাবে সম্ভৱপৰ নাছিল। কিন্তু বুদ্ধই পিছলৈ নাৰীসকলকো শিক্ষাৰ বাবে অনুপ্ৰাণিত কৰে। কিছুসংখ্যক নাৰীয়ে শিক্ষা লাভ কৰাৰ পিছত গোটেই জীৱন ধৰ্ম আৰু শিক্ষা প্ৰচাৰত অতিবাহিত কৰিছিল। তেওঁলোকক ভিক্ষুণী বুলি কোৱা হৈছিল। সম্ৰাট অশোকৰ ভনী সংঘমিত্ৰাই ধৰ্মীয় শিক্ষা প্ৰচাৰৰ বাবে শ্ৰীলংকালৈ গৈছিল। তদুপৰি শোভা (Subha), অনুপমা (Anupama), সুমেধা (Sumedha) আদিয়েও এই কাৰ্যত আগভাগ লৈছিল। উচ্চ শিক্ষিতা নাৰীয়ে উপাধ্যায় উপাধিৰে বিভূষিত হৈছিল। কাব্য সাহিত্যয়ো এই দিশত সুনাম অৰ্জন কৰিছিল। তাৰ ভিতৰত বিজয়াঙ্কা (Vijayanka)ক কালিদাসৰ লগত তুলনা কৰা হৈছিল। তেওঁৰ কাব্য প্ৰতিভা অনন্য আছিল। মহিলাসকলক ৰাজনীতিৰ জ্ঞান তত্বগত আৰু ব্যৱহাৰিক উভয় দিশতে প্ৰদান কৰা হৈছিল। তদুপৰি মীমাংসা (Mimansa), বেদান্ত (Vedanta), আয়ুৰ্বেদ (Ayurveda) আৰু সাহিত্য (Literature)ৰ পাঠো অন্তৰ্ভুক্ত কৰা হৈছিল।

যদিও প্ৰথম অৱস্থাত নাৰীশিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। পিছলৈ এই দিশত অধিক অগ্ৰাধিকাৰ দিয়া হৈছিল। নাৰীৰ বাবে পৃথক মঠৰ ব্যৱস্থা আছিল। কিন্তু খ্ৰীষ্টাব্দ চতুৰ্থ শতিকাৰপৰা বৌদ্ধ বিহাৰসমূহে শিক্ষাৰ ক্ষেত্ৰত বিশ্ববিখ্যাত হৈ উঠি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষাৰ্থীক আকৰ্ষণ কৰিব পাৰিছিল। বিশেষকৈ নালন্দাক প্ৰাচীন অক্সফৰ্ডৰ লগত তুলনা কৰা হৈছিল। অৱশ্যে তাৰপৰা নাৰীসকল বিশেষ উপকৃত হ'ব পৰা নাছিল। তথাপি তেওঁলোকৰ বৌদ্ধিক আৰু জীৱন নিৰ্বাহৰ মান উন্নত কৰিবলৈ সক্ষম হৈছিল। সামাজিক ক্ষেত্ৰতো তেওঁলোকে উল্লেখযোগ্য বৰঙণি আগবঢ়াবলৈ সক্ষম হৈছিল।

**বৌদ্ধ শিক্ষা ব্যৱস্থাৰ সাধাৰণ বৈশিষ্ট্যসমূহ (General Features of Buddist System of Education) ঃ**

বৌদ্ধ শিক্ষা ব্যৱস্থাৰ কিছুমান নিজা বৈশিষ্ট্য আছে। সেই বৈশিষ্ট্যসমূহ তলত দিয়া ধৰণে আলোচনা কৰিব পৰা যায়।

**(১) সংঘত নামভৰ্ত্তিকৰণৰ অনুষ্ঠান (Ceremony for Admission into Sangh) ঃ**

বৈদিক শিক্ষাৰ দৰেই সংঘত প্ৰৱেশ কৰাৰ আগতে বৌদ্ধ শিক্ষা ব্যৱস্থাত কিছুমান নিয়ম পালন কৰা হৈছিল। সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতি মাজেৰে এই অনুষ্ঠান পালন কৰা হৈছিল। এই অনুষ্ঠানটোক



বজ্জা (Pabbajja) বুলি কোৱা হৈছিল। ইয়াৰ অৰ্থ হৈছে 'আগবাঢ়ি যোৱা'। এই অনুষ্ঠানত প্ৰৱেশ কৰাৰ মন্ত্ৰ আছিল—বুদ্ধং শৰণং গোস্বামী, ধৰ্মং শৰণং গোস্বামী, শংঘং শৰণং গোস্বামী।

**(২) বৌদ্ধ শিক্ষা ব্যৱস্থা (Education during Buddhist-Period) ঃ**

খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ শেষৰফালে বৈদিক শিক্ষা ব্যৱস্থাত বিভিন্ন কেৰোণ সোমোৱা পৰিলক্ষিত হয়। জাত-পাত ব্যৱস্থা অতিশয় কঠোৰ হৈ উঠে। ফলস্বৰূপে সমাজ ব্যৱস্থাত এই শিক্ষাৰ প্ৰতি বহুতৰে বিদ্বেষ জাগি উঠে। ব্ৰাহ্মণসকলৰ আধিপত্য আৰু উচ্চ-নীচৰ ব্যৱধান প্ৰাচীন শিক্ষা ব্যৱস্থাক কিছু স্থবিৰতা প্ৰদান কৰে। সেই সময়তে গৌতম বুদ্ধৰ আৱিৰ্ভাৱ হয়। ভগৱান বুদ্ধই বৌদ্ধ ধৰ্ম প্ৰচাৰ কৰে। উচ্চ-নীচৰ ব্যৱধান নোহোৱা কৰি শিক্ষা ব্যৱস্থা সকলো শ্ৰেণীৰ বাবে মুক্ত কৰি তোলাৰ বাবে এই ধৰ্মই বিশেষ অৰিহণা আগবঢ়ায়।

**(৩) শিক্ষাৰ লক্ষ্য (Aims of Education) ঃ**

বৌদ্ধ শিক্ষাৰ লক্ষ্য আছিল সকলোৰে মাজত সমতা ৰক্ষা কৰা। শিক্ষাৰ্থীসকলে অষ্টমাৰ্গ (Eight-fold) পালন কৰি জীৱন অতিবাহিত কৰিব লাগিছিল। 'সত্য' আৰু 'অহিংসা' এই শিক্ষাৰ মূলমন্ত্ৰ আছিল। শিক্ষাৰ সহায়ত নৈতিক আৰু আধ্যাত্মিক বিকাশৰ ওপৰত জোৰ দিয়া হৈছিল। শিক্ষাৰ্থীক বৈষয়িক সম্পদৰ মোহ নিয়ন্ত্ৰণ কৰিবলৈ শিক্ষা দিয়া হৈছিল।

**(৪) শিক্ষণ পদ্ধতি (Method of Teaching) ঃ**

শিক্ষকে মৌখিক পদ্ধতিৰদ্বাৰা শিক্ষা প্ৰদান কৰিছিল। শিক্ষাৰ্থীয়ে মুখস্থ বিদ্যাৰে শিক্ষা আয়ত্ব কৰিছিল। বিষয়বস্তুৰ সামগ্ৰিক দিশ আহৰণ কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। 'হেতু বিদ্যা' নাইবা নিগমন পদ্ধতিৰে 'বিহাৰ'সমূহত শিক্ষা প্ৰদান কৰা হৈছিল। ব্যৱহাৰিক জ্ঞান লাভ কৰাৰ উদ্দেশ্যে শিক্ষাৰ্থীকসকলে পাঠ আয়ত্ব কৰাৰ পাছত ভ্ৰমণলৈ গৈছিল।

**(৫) শিক্ষকৰ স্থান (Status of Teacher) ঃ**

বৌদ্ধ শিক্ষাব্যৱস্থাত শিক্ষকে গাৰ্হস্থ জীৱন-যাপন কৰি পৰা নাছিল। শিক্ষকসকলে পবিত্ৰ আৰু ধাৰ্মিক জীৱ-যাপন কৰিছিল। শিক্ষকে গৌতম বুদ্ধৰ অষ্টমাৰ্গ পালন কৰিছিল। তেওঁলোকে সৰল জীৱন-যাপন কৰিছিল আৰু সমাজত তেওঁলোকক নৈতিকভাবে উচ্চস্থান দিয়া হৈছিল। তেওঁলোক আছিল জ্ঞানৰ মাৰ্গ।

**(৬) শিক্ষক-শিক্ষাৰ্থীৰ সম্পৰ্ক (Relation between Teacher and Student) ঃ**

সমাজত শিক্ষকৰ স্থান উচ্চ আছিল। শিক্ষাৰ্থীসকলে শিক্ষকক সন্মান কৰিছিল আৰু আন্তৰিকতাৰ তেওঁলোকৰ উপদেশ পালন কৰিছিল। শিক্ষক-শিক্ষাৰ্থীৰ সম্পৰ্ক আন্তৰিক, বন্ধুত্বপূৰ্ণ আৰু শান্তিপূৰ্ণ আছিল। শিক্ষকে শিক্ষাৰ্থীক নিজ সন্তানৰ দৰে পালন কৰিছিল। এইক্ষেত্ৰত বৌদ্ধ শিক্ষা ব্যৱস্থাৰ বৈদিক শিক্ষৰ লগত মিল থকা দেখা যায়।

**(৭) পাঠ্যক্ৰম (Curriculum) ঃ**

বৌদ্ধ শিক্ষাৰ মাধ্যম আছিল পালি আৰু প্ৰাকৃত (Pali and Prakrit)। এই ভাষা সমাজৰ সকলোৰে মাজত প্ৰচলিত ভাষা আছিল। শিক্ষাৰ বিষয়বস্তু হিচাপে বৌদ্ধ লিপি (Scripture), ভাষা কলা আৰু সাহিত্যৰ জ্ঞান আয়ত্ব কবিলগা হৈছিল। প্ৰাথমিক পৰ্যায়ত প্ৰতিজন শিক্ষাৰ্থীকে পাঠ পঢ়া, লিখা আৰু গণিতৰ জ্ঞান (2Rs) প্ৰদান কৰা হৈছিল। উচ্চ পৰ্যায়ত কলা-সাহিত্য, চিকিৎসাবিদ্যা, আইন, দৰ্শন, ধৰ্ম, ৰাজনীতি আৰু জ্যোতিৰ্বিদ্যাক পাঠ্যক্ৰমত স্থান দিয়া হৈছিল।

**(৮) অনুশাসন (Discipline) ঃ**

এই শিক্ষা ব্যৱস্থাতে কঠোৰ অনুশাসন মানি চলা হৈছিল। গৌতম বুদ্ধৰ অষ্টমাৰ্গ কঠোৰ শৃংখলাৰ ভিত্তিত পালন কৰিবলগা হৈছিল। শিক্ষাৰ্থীসকলে এক শৃংখলিত জীৱন-যাপন কৰিবলগীয়া হৈছিল। নিয়ম ভংগকাৰীৰ বাবে কঠোৰ শাস্তিৰ বিধান আছিল। অনুশাসনৰ মাজলৈ ঘূৰি নাহিলে শিক্ষাৰ্থীক শিক্ষানুষ্ঠানৰ পৰা বহিষ্কাৰ কৰাৰ নিয়ম আছিল।

**(৯) নাৰী শিক্ষা (Women Education) ঃ**

বৌদ্ধ শিক্ষা ব্যৱস্থাত নাৰীশিক্ষাৰ স্থান তুলনামূলকভাৱে নিম্নখাপৰ আছিল। যিহেতু গৃহৰ আবৰ্তত নাৰীৰ কৰণীয় যথেষ্ট পৰিমাণে থাকে, গতিকে বৌদ্ধ বিহাৰ আৰু স্তুপসমূহত নাৰীৰ প্ৰবেশ নিষিদ্ধ আছিল। কিন্তু পিছলৈ বুদ্ধই নাৰী শিক্ষাৰ প্ৰতি আগ্ৰহী হয় আৰু তেওঁলোকৰ বাবে পৃথক শিক্ষানুষ্ঠানৰ ব্যৱস্থা কৰে। উচ্চ শিক্ষা উচ্চ পৰ্যায়ৰ ব্যক্তিৰ বাবেহে সম্ভৱ আছিল।

বৌদ্ধ শিক্ষাব্যৱস্থা বিভিন্ন সময়ত বিভিন্ন পৰ্যায়ৰ ব্যক্তিৰদ্বাৰা পৰিচালিত হৈছিল। ৰজাঘৰে এই শিক্ষাৰ পৃষ্ঠপোষকতা কৰাৰ উপৰিও বৌদ্ধধৰ্মৰ শিক্ষানুষ্ঠানলৈ মুক্তহস্তে দান-দক্ষিণা আগবঢ়াইছিল। সমাজৰ ধনীক শ্ৰেণী, আঢ্যৱন্তলোক, জমিদাৰ, বণিকসকলে শিক্ষা প্ৰচাৰৰ বাবে দান-দক্ষিণা আগবঢ়াইছিল।

## বৌদ্ধ শিক্ষাৰ নীতিসমূহ (Principles of Buddhist Education)

গৌতম বুদ্ধৰ জীৱন সত্য আৰু অহিংসাৰ ভিত্তিত প্ৰতিষ্ঠিত। সৎপথত থাকি স্বাভাৱিক আৰু সহজ-সৰল জীৱন-যাপন কৰাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছিল। বুদ্ধই মহৎ সত্য পালন কৰি অষ্টমাৰ্গেৰে চলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল। বৌদ্ধ শিক্ষাৰ মূল নীতিসমূহ হৈছে ঃ

**(ক) চাৰি মহৎ সত্য (Four Noble Truths) ঃ**

**(i) দুখ-কষ্ট জীৱনৰ প্ৰধান অংশ (Life is full of suffering) ঃ**

জীৱন ৰহস্যময়। মানব জীৱনৰ প্ৰতিটো দিনেই দুখ-কষ্টৰ মাজেৰে পাৰ কৰিবলগীয়া হয়।

**(ii) আকাংক্ষাৰ পৰা যন্ত্ৰণাৰ উৎপত্তি হয় (Suffering is the result of desire) ঃ**

যিহেতু মানৱ শক্তিৰ বৈষয়িক সম্পত্তিৰ প্ৰতি আকাংক্ষা আছে, গতিকে সেই প্ৰয়োজনসম্ভৱ পূৰণ কৰিবলৈ উপায় যন্ত্ৰণা মূৰ পাতি ল'বলগীয়া হয়।



**(iii) আকাংক্ষাৰ দমন কৰিব পাৰিলেই আনন্দপ্ৰাপ্তি হয় (Rappiness results from suppression of desires) ঃ**

আকাংক্ষা হৈছে যন্ত্ৰণাৰ উৎপত্তিৰ কাৰণ। যদিহে ব্যক্তিজীৱনত আকাংক্ষা দমন কৰিব পৰা যায়। তেন্তে মানৱ জাতিয়ে আনন্দ সুখ ভোগ কৰিব পাৰে।

**(iv) অষ্টমাৰ্গ চৰম গতি প্ৰাপ্তিত সহায় কৰে (Eight fold path helps to attain solution)ঃ**

জীৱনত জন্ম-মৃত্যুৰ বান্ধোনৰপৰা মুক্তি পাবলৈ হ'লে অষ্টমাৰ্গ অনুশীলন কৰিব লাগিব। জন্ম-মৃত্যুই যিহেতু প্ৰকৃত যন্ত্ৰণাৰ কাৰণ, গতিকে এই বান্ধোনৰ পৰা মুক্তি পাবলৈ কঠোৰ সাধনা অনুশীলন কৰাৰ প্ৰয়োজন আছে।

**(খ) অষ্টমাৰ্গ (Eight Fold) ঃ**

গৌতম বুদ্ধৰ অষ্টমাৰ্গ বৌদ্ধ শিক্ষা ব্যৱস্থাৰ প্ৰধান চালিকা শক্তি। এই অষ্টমাৰ্গ হৈছে—

(i) পৃথিৱীখনত জীয়াই থাকিবলৈ মানৱ জীৱন অশেষ দুখ-কষ্ট সহ্য কৰিবলগীয়া হয়।

(ii) জীৱই সুখ বিচাৰিবলৈ হ'লে বৈষয়িক সম্পদৰ প্ৰতি থকা আকাংক্ষা ত্যাগ কৰিব লাগিব।

(iii) কোনো প্ৰাণীৰ প্ৰতি হিংসা কৰিব নালাগে।

(iv) সজ আৰু সৎ কথাৰ আনৰ প্ৰতি আচৰণ প্ৰদৰ্শন কৰিব লাগে।

(v) সৎ পথেৰে জীৱিকা নিৰ্বাহ কৰিব লাগে।

(vi) সৎ প্ৰচেষ্টা

(vii) সৎ চিন্তা

(viii) শুদ্ধ মনঃসংযোগ

**(গ) মানৱ জীৱনৰ চিন্তা আৰু কৰ্ম মনৰদ্বাৰা নিয়ন্ত্ৰিত হয় (Actions and thought of Human being is controlled by our mind) ঃ**

মানৱ জীৱনত জীয়াই যিমান দুখ-কষ্ট ভোগ কৰিবলগীয়া হয় তাৰ মূল কাৰণ হৈছে মন। যদিহে মনক নিয়ন্ত্ৰিত কৰিব পৰা যায়; তেন্তে আনন্দ লাভ কৰিব পাৰি। মানুহৰ আকাংক্ষাবোৰ নোহোৱা হ'লেই প্ৰকৃত শান্তি পোৱা যায়। মানসিক বাসনাসমূহ নিয়ন্ত্ৰিত হ'লে আত্মাবোধ জন্ম যাৰদ্বাৰা মুক্তি লাভ কৰিব পাৰি।

**(ঘ) যুক্তিংসগত নাইবা বিবেচনাত্মক চিন্তা হৈছে মানব জীৱনৰ চূড়ান্ত সম্পদ (Main source of power) ঃ**

চিন্তাই হৈছে কৰ্মৰ মূল ভিত্তি। গতিকে যুক্তিৰ মাজেৰে পৰিচালিত চিন্তাই ব্যক্তিক সৎ আৰু শুদ্ধ পথেৰে পৰিচালিত কৰে। কোনো সত্যক অন্ধভাৱে মানি ল'ব নালাগে। যুক্তি আৰু তৰ্কৰ মাজেৰে গ্ৰহণ কৰা সিদ্ধান্ত শুদ্ধ হোৱা দেখা যায়।

**বৌদ্ধ শিক্ষা ব্যৱস্থাৰ লক্ষ্য (Aims of Buddhist Education) ঃ**

বৈদিক শিক্ষাৰ দৰেই বৌদ্ধ শিক্ষা ব্যৱস্থাত নিৰ্দিষ্ট লক্ষ্য আৰু উদ্দেশ্যৰ মাজেৰে পৰিচালিত হৈছিল। গৌতম বুদ্ধৰ বাণী প্ৰচাৰেই এই শিক্ষাৰ মূল উদ্দেশ্য আছিল। তলত সেইবোৰ আলোচনা কৰা হ'ল-

**(১) অহিংসা (Non–Violence) ঃ**

জীৱ হত্যা মহাপাপ—এই বাণী শিৰোগত কৰি শিক্ষক আৰু শিক্ষাৰ্থীয়ে আনৰ প্ৰতি অহিংসাৰ মনোভাৱ পোষণ কৰিছিল। বুদ্ধ শিক্ষানীতিৰ মূলমন্ত্ৰ আছিল অহিংসা।

**(২) চৰিত্ৰ গঠন (Character Buidling) ঃ**

শিক্ষাৰ মূল লক্ষ্য হৈছে চৰিত্ৰ গঠন। সৎ চৰিত্ৰ গঠন কৰি জীৱৰ মুক্তিৰ পথ প্ৰশস্ত কৰাই দিয়াৰ মূল উদ্দেশ্য।

**(৩) সৎ জীৱন-যাপন (Truthful Living) ঃ**

সত্য পথত চলা আৰু সত্য কথা কোৱাই শিক্ষাৰ মূল উদ্দেশ্য। সৎ জীৱন পথত চলি মিছাৰ পৰা আঁতৰি থাকিবলৈ শিক্ষাৰ্থীসকলক প্ৰশিক্ষণ দিয়া হয়।

**(৪) নিয়মিত তথা কঠোৰ জীৱন-যাপন (Strict rules for living) ঃ**

বৌদ্ধ শিক্ষা ব্যৱস্থাই কঠোৰ সংযমী হ'বলৈ শিক্ষা দিছিল। খাদ্য গ্ৰহণ তথা অন্যান্য বিষয়ত তেওঁলোক নিয়মিতভাৱে তালিকামাত চলিছিল।

**(৫) বাক্‌সংযমী, সৎচিন্তা আৰু শুদ্ধ আচৰণ বিকাশ (Development of Purity of Thought, mind and Taste) ঃ**

বাক্ সংযমী হৈ সকলোৰে প্ৰতি উদাৰ তথা মৰমিয়াল হোৱা, সৎ চিন্তাৰে জীৱন পৰিচালিত কৰা আৰু কঠোৰ পৰিশ্ৰমী ব্ৰত পালন কৰা বৌদ্ধ শিক্ষাৰ মূল নীতি।

**(৬) সহজ-সৰল জীৱন-যাপন আৰু উচ্চ চিন্তা (Simple living and High Thinking) ঃ**

গৌতম বুদ্ধই তেওঁৰ অনুগামীসকলক এক সহজ-সৰল জীৱন-যাপন কৰিবলৈ অনুপ্ৰাণিত কৰিছিল। বৈষয়িক মোহ পৰিহাৰ কৰি আত্মাৰ মুক্তিৰ হকে চিন্তা আৰু উচ্চ আধ্যাত্মিকতা পোষণ কৰা বৌদ্ধ শিক্ষাৰ মূল আদৰ্শ তথা নীতি।

## বৌদ্ধধৰ্মৰ শিক্ষাৰ ভাল দিশসমূহ (Merits of Buddhist Education)

বৌদ্ধ শিক্ষাব্যৱস্থাত ছাত্ৰসকলে কাউৰীয়ে ডাক দিয়াৰ লগে লগে পাঠ আৰম্ভ কৰিছিল। তদুপৰি আনুষ্ঠানিক শিক্ষাৰ কেন্দ্ৰ হিচাপে বৌদ্ধ মঠ আৰু বিহাৰসমূহে বিশেষ আত্মমৰ্যাদা লাভ কৰিছিল। তদুপৰি সমূহীয়া পাঠদানৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা হৈছিল। এই শিক্ষাব্যৱস্থাৰ ভাল দিশসমূহ হৈছে—

১। বৌদ্ধধৰ্মত জাতিভেদ অনুযায়ী শিক্ষা প্ৰদানৰ ব্যৱস্থা নাছিল। সকলো জাতিৰ লোকে এই শিক্ষা গ্ৰহণ কৰিব পাৰিছিল। একমাত্ৰ শিক্ষাৰ্থীৰ ইচ্ছা-অনিচ্ছাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল।



২। বৌদ্ধ শিক্ষা ব্যৱস্থা সুসংগঠিত আছিল। বৰ্তমান কালত দেখা পোৱা আনুষ্ঠানিক শিক্ষাৰ প্ৰধাৰ মঠ আৰু বিহাৰসমূহত লক্ষ্য কৰা হয়। এই শিক্ষাকেন্দ্ৰসমূহ পাছলৈ বিশ্ববিদ্যালয়লৈ উন্নীত হৈছিল।

৩। এই শিক্ষাব্যৱস্থাত সমূহীয়া শিক্ষাদানৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল। মঠ আৰু বিহাৰসমূহত হাজাৰ হাজাৰ শিক্ষাৰ্থীক একেলগে শিক্ষা দিয়াৰ ব্যৱস্থা আছিল।

৪। বৌদ্ধ শিক্ষাব্যৱস্থাত বিভিন্ন পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছিল। ধৰ্ম, দৰ্শন, কলা, সাহিত্য, ভাস্কৰ্য, চিত্ৰ ইত্যাদিৰ উপৰিও চিকিৎসাবিদ্যাৰ ক্ষেত্ৰত অধিক উন্নত পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰা হৈছিল। তদুপৰি বেদৰ শিক্ষাও প্ৰদান কৰা হৈছিল।

৫। এই শিক্ষাব্যৱস্থাত আন্তঃৰাষ্ট্ৰীয় প্ৰভাৱ লক্ষ্য কৰা যায়। নালন্দা বিশ্ববিদ্যালয়লৈ বিদেশৰ পৰাও বহু ছাত্ৰৰ সমাগম হৈছিল। সংঘসমূহৰ জৰিয়তে বৌদ্ধধৰ্ম লংকা, তিব্বত, চীন, জাপান আদিতো প্ৰচাৰ হৈছিল।

৬। বৌদ্ধ শিক্ষাৰ মূল দৰ্শন আছিল সৰল জীৱন যাপন। সাংসাৰিক মোহ আৰু বস্তুবাদী ভাবধাৰাৰ পৰা আঁতৰত থাকি এক উচ্চ আদৰ্শ পোষণ কৰা আৰু অহিংসা ধৰ্ম পালন কৰা এই ধৰ্মৰ প্ৰধান উদ্দেশ্য।

৭। যদিও এই শিক্ষাৰ মূল উদ্দেশ্য ধৰ্মীয় আৰু আধ্যাত্মিকতাবাদৰ ওপৰত প্ৰতিষ্ঠিত আছিল, তথাপি দৈহিক আৰু মানসিক পৰিতৃপ্তিও শিক্ষাৰ জৰিয়তে লাভ কৰাৰ ব্যৱস্থা আছিল। বৌদ্ধ বিহাৰ আৰু মঠসমূহত ব্যক্তিৰ নান্দনিক দিশৰ প্ৰভাৱ সুস্পষ্ট আছিল।

৮। ছাত্ৰ আৰু শিক্ষকৰ সম্পৰ্ক পাৰস্পৰিক স্নেহ আৰু ভক্তিৰ আধাৰত নিৰ্ভৰশীল নাছিল। ভিক্ষুসকলে আচাৰ্যাৰ লগত থাকি শিক্ষা লাভ কৰিছিল। ছাত্ৰই যিদৰে শিক্ষকৰ বাবে ভিক্ষা কৰি আনিবলগীয়া হৈছিল, শিক্ষকেও ছাত্ৰৰ বেমাৰ-আজাৰত নাইবা প্ৰয়োজনসাপেক্ষে ছাত্ৰৰ বাবে ভিক্ষা কৰিছিল।

৯। জীৱনৰ প্ৰতি সঠিক ধাৰণা গঢ় দি তুলিবলৈ বৌদ্ধ শিক্ষাব্যৱস্থাত যুক্তিতৰ্কৰে বিভিন্ন দিশক বিবেচনা কৰি ল'বলৈ শিক্ষা দিয়া হৈছিল। আলোচনা আৰু যুক্তি-তৰ্ক শিক্ষাব্যৱস্থাৰ অপৰিহাৰ্য অংগ আছিল।

১০। ভ্ৰমণ শিক্ষাৰে এক প্ৰধান অংগ আছিল। ইয়াৰ জৰিয়তে জীৱনৰ বিভিন্ন দিশত ব্যৱহাৰিক জ্ঞান প্ৰদান কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল।

## বৌদ্ধ শিক্ষাব্যৱস্থাৰ ত্ৰুটি (Demerits of Buddhist Education)

যদিও বৌদ্ধ শিক্ষাব্যৱস্থাত আমি অধিক গ্ৰহণযোগ্য দিশ দেখা পাওঁ তথাপিও ইয়াৰ ত্ৰুটি কিছুমানো লক্ষণীয়। তলত এইবোৰ আলোচনা কৰা হ'ল ঃ

১। বৌদ্ধ শিক্ষাব্যৱস্থাৰ মূল উদ্দেশ্য হৈছে ধৰ্মক অন্তঃকৰণেৰে পালন কৰা। ধৰ্মীয় নীতি-নিয়ম কঠোৰভাৱে পালন কৰা হৈছিল বাবে শিক্ষাৰ মূল লক্ষ্য সৰ্বতোপ্ৰকাৰৰ বিকাশক উপেক্ষা কৰা হৈছিল।

২। বৌদ্ধ ধৰ্মৰ মূল দৰ্শন আছিল সাংসাৰিক বান্ধোনৰ পৰা আঁতৰি থকা, গতিকে শিক্ষাৰদ্বাৰা ব্যক্তি সংসাৰৰ প্ৰতি বিতুষ্ট কৰি তোলা হৈছিল, যাৰ ফলত ব্যক্তিৰ সামাজিক আৰু পাৰিবাৰিক দি উপেক্ষিত হৈ আছিল।

৩। এই শিক্ষাব্যৱস্থাত পাৰিবাৰিক অস্তিত্বক উপেক্ষা কৰা হৈছিল, ফলত পিছলৈ এই ধৰ্মৰ প্ৰতি ব্যক্তি আগ্ৰহ কিছু পৰিমাণে কমি আহিল। কাৰণ গোটেই জীৱন ব্যক্তিয়ে সংঘৰ নামত উচৰ্গা কৰিবলগীয় হৈছিল।

৪। বৌদ্ধধৰ্মত নাৰীক পুৰুষতকৈ তলত স্থান দিয়া হৈছিল, গতিকে স্ত্ৰী-শিক্ষাক উৎসাহিত কৰা হো নাছিল। তদুপৰি কঠোৰ ধৰ্মীয় ৰীতি-নীতি নাৰীৰ বাবে পালন কৰা সম্ভৱপৰ নাছিল।

৫। বৌদ্ধধৰ্মৰ মূল নীতি অহিংসাৰ ওপৰত প্ৰতিষ্ঠিত আছিল, গতিকে এই শিক্ষাব্যৱস্থাত সামৰি দিশৰ ওপৰত গুৰুত্ব দিয়া নহৈছিল, যাৰ ফলত ৰাষ্ট্ৰীয় জীৱনলৈ প্ৰচণ্ড ভাবুকি আহিছিল।

৬। বৌদ্ধধৰ্মৰ দৰ্শন বাস্তৱিক জীৱনৰ ওপৰত প্ৰতিষ্ঠিত নাছিল। বৰঞ্চ জীৱিত দিনকেইটাতকৈ মৃত্যু পিছত অজান জগতৰ বাবেহে জীৱনক প্ৰস্তুত কৰাৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছিল।

৭। সমাজব্যৱস্থাৰ সংবৰ্দ্ধন আৰু সংৰক্ষণৰ ওপৰত এই দৰ্শনৰ কোনো গুৰুত্ব নাছিল। শিক্ষাৰ মূ উদ্দেশ্য এই দিশত বাধাপ্ৰাপ্ত হৈছিল।

৮। বৌদ্ধধৰ্মৰ দৰ্শন শেষলৈ অগণতান্ত্ৰিক আৰু গ্ৰহণযোগ্য নোহোৱা হৈ পৰিছিল। ভিক্ষু-ভিক্ষুণীসকলে সামাজিক সংস্পৰ্শৰ আঁতৰত এককেন্দ্ৰিক জীৱন পালনত অভ্যস্ত পৰিছিল। তেওঁলোক সমাজৰ এক পৃথক শ্ৰেণীত পৰিগণিত হৈছিল।

## বৌদ্ধ আৰু বৈদিক শিক্ষাৰ মাজৰ তুলনা (Comparison between the Buddhist and Brahmahical education)

বৌদ্ধ শিক্ষাব্যৱস্থাৰ দৰ্শন বিশেষভাৱে বৈদিক যুগৰ পৰা আহৰণ কৰা হৈছে যদিও এই দুই সাধাৰণতে বৈদিক শিক্ষাব্যৱস্থাত থকা বিভিন্ন দুৰ্বলতাসমূহে বৌদ্ধ ধৰ্মৰ পথ প্ৰশস্ত কৰে। গতিকে শিক্ষা ব্যৱস্থাতো ইয়াৰ প্ৰভাৱ লক্ষ্য কৰা যায়। দুয়োটা ধৰ্মৰ শিক্ষাব্যৱস্থাৰ মাজৰ কিছু প্ৰভেদ লক্ষ্য কৰা যায়। শিক্ষাব্যৱস্থাৰ মাজত থকা পাৰ্থক্যসমূহ এনে ধৰণৰ ঃ

১। বৈদিক শিক্ষাব্যৱস্থাত গুৰুকুল পৰম্পৰা প্ৰচলিত আছিল। গুৰুগৃহই শিক্ষাৰ্থীৰ বাবে পঢ়াশালি আছিল। শিক্ষাত গৃহ পৰিবেশৰ ভূমিকা যথেষ্ট পৰিমাণে থাকে। গতিকে গুৰুগৃহৰ সম্পূৰ্ণ ঘৰুৱা পৰিবেশত শিক্ষাৰ্থীয়ে নিজৰ আচৰণগত দিশ গঢ় দি তুলিছিল।

আনহাতে বৌদ্ধ শিক্ষা ব্যৱস্থাত গুৰুগৃহৰ সলনি বৌদ্ধমঠত শিক্ষা প্ৰদান কৰা হৈছিল। যিহেতু বৌদ্ধ ধৰ্মত গাৰ্হস্থ্য জীৱনৰ কোনো স্থান নাই গতিকে শিক্ষাৰ্থীক গৃহ পৰিবেশৰ পৰা মুক্ত কৰি ৰখা হৈছিল।



২। বৈদিক শিক্ষাব্যৱস্থাত গুৰু-শিষ্যৰ পৰম্পৰা অতিশয় আন্তৰিকতাপূৰ্ণ আছিল। গুৰুৱে শিষ্যক কঠোৰ নিয়মৰ মাজেৰে শাসন কৰিছিল। গুৰু আৰু শিষ্যৰ মাজৰ সম্পৰ্ক পিতা-পুত্ৰৰ দৰে আছিল। কিন্তু বৌদ্ধ শিক্ষাব্যৱস্থাত আচাৰ্য আৰু শ্ৰমনৰ মাজত বিশেষ পাৰ্থক্য নাছিল। আধ্যাত্মিক পৰিসৰৰ ব্যৱধানৰ বাহিৰে তেওঁলোকৰ মাজত স্থানগত পাৰ্থক্য নাছিল।

৩। বৈদিক শিক্ষাব্যৱস্থাৰ তুলনাত বৌদ্ধ শিক্ষাব্যৱস্থাৰ পাঠ্যক্ৰম কিছু পৰিমাণে নমনীয় আছিল। ইয়াত বিশেষ নতুনত্ব লক্ষ্য কৰা নাযায়। বৈদিক শিক্ষাপদ্ধতিৰ আৰ্হিতেই বৌদ্ধ শিক্ষা পদ্ধতি প্ৰচলিত আছিল। একমাত্ৰ শিক্ষাৰ ক্ষেত্ৰত বেদক পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰাৰ বিপৰীতে বৌদ্ধ শিক্ষাত বৌদ্ধ ধৰ্মৰ লিপিসমূহক শিক্ষা পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰা হৈছিল।

৪। বৌদ্ধ ধৰ্মত বৈদিক ধৰ্মৰ নিচিনাকৈ নৈতিকতা আৰু ধৰ্মক উচ্চস্থান দিয়া হৈছিল। শিক্ষাৰদ্বাৰা ব্যক্তিৰ নৈতিক, ধৰ্মীয়, আধ্যাত্মিক আৰু বৌদ্ধিক বিকাশৰ ওপৰত সৰ্বোচ্চ গুৰুত্ব দিয়া হৈছিল। এক কথাত কবলৈ গ'লে বৈদিক দৰ্শনে বৌদ্ধ দৰ্শনক গভীৰভাৱে প্ৰভাৱান্বিত কৰিছিল। তথাপিও বৌদ্ধ শিক্ষাই আধ্যাত্মিকতাক সৰ্বোচ্চ স্থান দিছিল। আধ্যাত্মিক ভাবধাৰা সম্পূৰ্ণভাৱে জাগৃত কৰিবলৈ ব্যক্তি মঠ আৰু বিহাৰৰ অবিচ্ছেদ্য অংগ হৈ পৰিছিল।

৫। বৌদ্ধ শিক্ষাব্যৱস্থাত জাতি-ভেদ প্ৰথাক বিশেষ গুৰুত্ব দিয়া হোৱা নাছিল। যিসকল শিক্ষা গ্ৰহণৰ বাবে আগ্ৰহী তেওঁলোকক প্ৰয়োজন অনুসৰি শিক্ষা দিয়া হৈছিল। শিক্ষাব্যৱস্থা সকলোৰে বাবে মুক্ত আছিল। সাক্ষৰতাৰ হাৰো এই যুগত অধিক হোৱা দেখা যায়। যদিও শিক্ষাৰ্থীসকলে নিজৰ লগতে ভিক্ষু আৰু আচাৰ্যসকলৰ জীৱন-যাপনৰ বাবে ভিক্ষা কৰিবলগীয়া হৈছিল তথাপিও এই শিক্ষাব্যৱস্থা ছাত্ৰৰ বাবে মুক্ত আছিল। থকা-মেলা, খোৱা আৰু আবাসগৃহ মঠসমূহত বিনামূলীয়াকৈ প্ৰদান কৰা হৈছিল।

৬। বৌদ্ধ শিক্ষাব্যৱস্থাই ছাত্ৰসকলক কাষৰীয়া আৰু সুদূৰ ঠাইৰপৰা আকৰ্ষিত কৰিছিল। যিহেতু শিক্ষাব্যৱস্থা সকলোৰে বাবে মুক্ত আছিল গতিকে বিদেশৰ ছাত্ৰয়ো অধ্যয়নৰ সুবিধা লাভ কৰিছিল। বিশেষকৈ দৰ্শন আৰু তৰ্ক বিষয়ত বিশেষভাৱে অনুপ্ৰাণিত কৰা হৈছিল। তুলনামূলক আলোচনা আৰু অধ্যয়নৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছিল। বৌদ্ধ শিক্ষাই বৈদিক শিক্ষাৰ একনায়কত্ববাদী আচৰণ পৰিত্যাগ কৰিছিল। সকলো জাতিৰ লোকেই শিক্ষাৰ সুবিধা পাইছিল। কিন্তু বৈদিক শিক্ষাব্যৱস্থা সকলোৰে বাবে মুক্ত নাছিল।

৭। গৌতম বুদ্ধই সংঘসমূহত নাৰীকো যোগদান কৰিবলৈ আহ্বান জনাইছিল। গতিকে ইয়াৰদ্বাৰা নাৰীমুক্তিৰ পথ প্ৰশস্ত হৈছিল। আঢ্যৱন্ত আৰু বনিজ সম্প্ৰদায়ৰ নাৰীয়ে শিক্ষা গ্ৰহণলৈ আগবাঢ়ি আহিছিল। জীৱনৰ চৰম সত্য, দৰ্শন আৰু ধৰ্মীয় শিক্ষা গ্ৰহণ কৰি কিছুমানে বিদেশলৈ ধৰ্মপ্ৰচাৰৰ

বাবে গৈছিল। খ্ৰীষ্টাব্দ চতুৰ্থ শতিকালৈ নাৰীৰ বাবে শিক্ষাৰ সুবিধা যথেষ্টভাৱে প্ৰদান কৰা হৈছিল। কিন্তু বৈদিক শিক্ষা সকলো নাৰীৰ বাবে মুক্ত নাছিল। যদিও উচ্চস্তৰৰ ব্ৰাহ্মণসকলে তেওঁলোকৰ ঘৰৰ নাৰীক শিক্ষাৰ বাবে সুবিধা প্ৰদান কৰিছিল, নিম্ন শ্ৰেণীৰ লোকসকল ইয়াৰপৰা বঞ্চিত আছিল।

## পৌৰাণিক বিশ্ববিদ্যালয়সমূহ আৰু শিক্ষা কেন্দ্ৰসমূহ (Ancient Universities and Centres of Education)

### তক্ষশীলা (Takashila or Taxila) বিশ্ববিদ্যালয়

বৰ্তমান পাকিস্তানৰ ৰাৱালপিণ্ডিৰ পৰা ২০ কিলোমিটাৰ নিলগত তক্ষশীলা প্ৰাচীন শিক্ষাৰ এক উল্লেখযোগ্য শিক্ষাৰ কেন্দ্ৰ আছিল। তক্ষশীলা গান্ধাৰ (Gandhara)সকলৰ ৰাজধানী আছিল। যদিও এই শিক্ষাকেন্দ্ৰৰ বিষয়ে অধিক জানিব পৰা নাযায়, তথাপি অনুমান কৰিব পাৰি যে খ্ৰীঃপূৰ্ব সপ্তম শতিকাৰ পৰা ই শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ় লৈ উঠিছিল। আলেকজেণ্ডাৰ (Alexander)ৰ যুগত এই শিক্ষাকেন্দ্ৰ দাৰ্শনিকসকলৰ বাবে বিখ্যাত আছিল। যদিও তক্ষশীলা কোনোকলেজ নাইবা বিশ্ববিদ্যালয় হিচাপে বিখ্যাত নাছিল, তথাপি শিক্ষাৰ চৰ্চা কেন্দ্ৰ হিচাপে ই বিখ্যাত আছিল। উত্তৰ ভাৰতৰ বিভিন্ন ঠাইৰপৰা উচ্চ শিক্ষাৰ বাবে ছাত্ৰ আৰু শিক্ষক ইয়াত গোট খাইছিল। প্ৰত্যেকজন শিক্ষকে নিজাকৈ একোখন শিক্ষানুষ্ঠান খুলিছিল আৰু তেওঁলোকে বিচৰা ধৰণে ছাত্ৰ ভৰ্তি কৰিছিল।

জাতকৰপৰা লাভ কৰা তথ্যৰপৰা জানিব পাৰি যে তক্ষশীলাৰ বিশ্ববিখ্যাত শিক্ষকৰ অধীনত প্ৰায় পাঁচশ শিক্ষাৰ্থীয়ে অধ্যয়ন কৰিছিল। তেওঁলোকৰ অধীনত বিভিন্ন সহায়কাৰী শিক্ষক আছিল বুলি অনুমান কৰা হয়। বিশেষ জ্ঞান লাভ কৰিবলৈ অহা ছাত্ৰকহে তক্ষশীলাত উচ্চ শিক্ষা দিয়া হৈছিল। তিনি বেদ, ব্যাকৰণ, দৰ্শন আৰু অষ্টাদশ শিল্পক মুখ্য বিষয় হিচাপে গণ্য কৰা হৈছিল। ইয়াৰ বাহিৰেও চিকিৎসা, শল্য, ধনুৰ্বিদ্যা, জ্যোতিৰ্বিদ্যা, জ্যোতিষশাস্ত্ৰ, জ্যামিতি, বাণিজ্য, কৃষি, যাদু, সৰ্পমোহন বিদ্যা, নৃত্য-গীত আৰু ৰঙৰ বিষয়ো অন্তৰ্ভুক্ত কৰা হৈছিল।

প্ৰায় ২৭০০ বছৰৰ পূৰ্বে তক্ষশীলা বিশ্ববিদ্যালয়ত স্থাপন কৰা হৈছিল। এইখন পৃথিৱীৰ ভিতৰতেই প্ৰথম বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয় প্ৰাচীন ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ প্ৰধান কেন্দ্ৰ আছিল। কেইবা শতিকাজুৰী এই বিশ্ববিদ্যালয় হিন্দু আৰু বৌদ্ধ শিক্ষাৰ প্ৰাণকেন্দ্ৰ আছিল। ভাৰতবৰ্ষৰ বাহিৰেও ইৰাক, গ্ৰীচ, ইজিপ্ত, চিৰিয়া, এছিয়া মহাদেশৰ বিভিন্ন ঠাইৰপৰা শিক্ষা গ্ৰহণৰ উদ্দেশ্যে ইয়ালৈ শিক্ষাৰ্থীৰ অহাৰ প্ৰমাণ আছে। প্ৰায় ২০০০ শিক্ষক আৰু ১০,০০০ ৰ ওপৰৰ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত শিক্ষাদান আৰু গ্ৰহণৰ সুবিধা পাইছিল।



এই বিশ্ববিদ্যালয়ত প্ৰাচীন কলা আৰু বিজ্ঞান শিক্ষাৰ সুবিধা আছিল। বেদ আৰু ওঠৰ কলাৰ উপৰিও ধনুৰ্বিদ্যা, চিকাৰ, হস্তীবিদ্যা, আইন, চিকিৎসা, সামাজিক বিদ্যা ইত্যাদিৰ শিক্ষা ইয়াত প্ৰদান কৰা হৈছিল। গণিত জ্যোতিৰ্বিদ্যা, জ্যোতিষশাস্ত্ৰ, ভোজ, আয়ুৰ্বেদ, শল্যচিকিৎসা আদিৰ উপৰিও ওঠৰ কলাৰ ভিতৰত সংগীত, নৃত্য, সুকুমাৰ কলা ইত্যাদিৰ শিক্ষা তক্ষশীলা বিশ্ববিদ্যলয়ত প্ৰদান কৰা হৈছিল। শিক্ষাৰ্থীসকল নিজ পছন্দ অনুযায়ী শিক্ষা গ্ৰহণ কৰাৰ সুযোগ আছিল। বিশ্ববিদ্যালয়ত নামভৰ্ত্তিৰ বাবে শিক্ষাৰ্থীসকলে ১৬ বছৰ অতিক্ৰম কৰিব লাগিছিল। ভাৰতবৰ্ষৰ প্ৰখ্যাত চিকিৎসা তথা পণ্ডিত ব্যক্তিয়ে ইয়াত অধ্যয়ন কৰিছিল। ইয়াৰ ভিতৰত প্ৰখ্যাত বৈয়াকৰণিক পাণিনী, জীৱক, চৰক, কৌটিল্য, চাণক্য ইত্যাদি পণ্ডিতসকল অন্যতম। পাঠ্যক্ৰম প্ৰদানৰ বাবে মনোবৈজ্ঞানিক ভিত্তি গ্ৰহণ কৰা দেখা যায়। ছাত্ৰই নিজ ইচ্ছা অনুযায়ী বিষয়বস্তু গ্ৰহণ কৰিছিল আৰু কোনো এটা পাঠ সম্পূৰ্ণ আয়ত্ব নকৰাকৈ অন্য পাঠ শিকোৱাৰ ব্যৱস্থা নাছিল। শিক্ষকসকল সন্তুষ্ট হ'লেহে বিষয়বস্তুৰ জ্ঞান আয়ত্ব কৰা বুলি ধৰি লোৱা হৈছিল। জ্ঞান আহৰণ কৰাৰ উপৰিও ব্যক্তিগত শিক্ষণৰ ওপৰত অগ্ৰাধিকৰ দিয়া হৈছিল। শিক্ষা ব্যৱস্থা শিক্ষকৰ ইচ্ছা অনুযায়ী চলিছিল। ইয়াৰ ৰজা নাইবা আঢ্যৱন্ত শ্ৰেণীৰ কোনো নিয়ন্ত্ৰণ নাছিল। শিক্ষকসকলক এক মোটা মাননী দিয়াৰ ব্যৱস্থা থকাৰ লগতে ধৰ্মীয় অনুষ্ঠানসমূহ পালন কৰিবলৈ আৰ্থিক সাহায্য প্ৰদান কৰা হৈছিল।

তক্ষশীলা উত্তৰ-পশ্চিম প্ৰান্তত অৱস্থিত হোৱা হেতুকে বিভিন্ন সময়ত বিভিন্ন দুৰ্যোগৰ সন্মুখীন হ'বলগীয়া পৰিছিল। সময়ে সময়ে পাৰ্চী, গ্ৰীক, পাঠান, শক, কুষাণ আদি জাতিয়ে এই বিশ্ববিদ্যালয়ত ধ্বংসলীলা চলায়। অন্তিম হিচাপে হুনসকলে খ্ৰীষ্টাব্দ ৪৫০ ত এই বিশ্ববিদ্যালয়ত ধ্বংসলীলা চলায়। খ্ৰীষ্টাব্দ ৬০৩-৬০৪ ৰ ভিতৰত বিখ্যাত চীনা পৰিব্ৰাজক হিউয়েন চাঙে (Huen 'T' Sang) এই বিশ্ববিদ্যালয়খন পৰিভ্ৰমণ কৰে। পিছলৈ এই বিশ্ববিদ্যালয়ে আন্তৰ্জাতিক মৰ্যাদা হেৰুৱায়। বিক্ৰমশীলাৰ মূলগৃহ পৰিকল্পিতভাৱে আহল-বহলকৈ বনোৱা হৈছিল। এশ আঠটা মন্দিৰৰ সৈতে ছয়টা বিদ্যালয় গৃহ ইয়াৰ লগত সংলগ্ন আছিল। মহাবোধি মন্দিৰ এই সকলোবোৰৰ ভিতৰত অন্যতম আকৰ্ষণীয় আছিল য'ত পদুম ফুলৰ পাহিৰ আৰ্হিত নিৰ্মাণকাৰ্য কৰা হৈছিল। ভিক্ষুসকলৰ বাবে প্ৰকাণ্ড আবাসগৃহ নিৰ্মাণ কৰা হৈছিল, যদিও বৰ্তমান ইয়াৰ অস্তিত্ব সংকুচিত। প্ৰতিটো গৃহৰ পয়-প্ৰণালী তথা নলা-নৰ্দমা অতি উন্নত আছিল।

### নালন্দা (Nalanda)

নালন্দা বিহাৰৰ ৰাজধানী পাটনাৰপৰা প্ৰায় চল্লিছ কিলোমিটাৰ দূৰত অৱস্থিত। বৌদ্ধ শিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে নালন্দা বিখ্যাত। বিভিন্ন খনন কাৰ্যৰপৰা লাভ কৰা তথ্য অনুযায়ী এই বিশ্ববিদ্যালয়ৰ চাৰিসীমা এক কিলোমিটাৰ দীঘল আৰু আধা কিলোমিটাৰ বহল আছিল। কেন্দ্ৰীয় কলেজখনত সাতটা

বৃহৎ কোঠা সংলগ্ন আছিল আৰু ইয়াৰ লগত ৩০০টা সৰু সৰু বক্তৃতা গৃহৰ ব্যৱস্থা আছিল। গৃহনিৰ্মাণৰ প্ৰণালী চালে চকুৰোৱা আৰু কেবামহলীয়া আছিল।

ভিক্ষুসকলে তেওঁলোকৰ বাবে নিৰ্মাণ কৰা বিশেষ মঠসমূহত আছিল। মঠসমূহ দুমহলীয়া (Two storied) আৰু এজনীয়া আৰু দুজনীয়া ছাত্ৰনিবাসৰ ব্যৱস্থা আছিল। ছাত্ৰৰ বাবে খোৱা আৰু থকাৰ পৰ্যাপ্ত সুবিধা থকাৰ প্ৰমাণ পোৱা যায়। নালন্দা বিশ্ববিদ্যালয় পুথিভঁৰাল পৌৰাণিক বিশ্বৰ আটাইতকৈ বৃহৎ পুথিভঁৰাল আছিল। পুথিভঁৰালটো ৯ মহলীয়া আছিল আৰু সমগ্ৰ পুথিভৰাঁলটো ধৰ্মগনূজা (Treasure of truth) অথবা ধৰ্ম গুনজ (Mountain of truth) বুলি জনা যায়। পুথিভৰাঁলৰ তিনিটা গৃহৰ নাম ক্ৰমে ৰত্ন-সাগৰ (Ratna Sagar) ৰত্ন-দধি (Ratna dadhi) আৰু ৰত্ন ৰঞ্জক (Ratna ranjaka) আছিল। এই বিশ্ববিদ্যালয়ৰ অধীনত ২০০খন ৰাজহ সংগ্ৰহৰ বাবে গাঁৱৰ ব্যৱস্থা আছিল। গতিকে ছাত্ৰসকলক বিনামূলীয়া থকা-খোৱা আৰু পিন্ধা-উৰাৰ ব্যৱস্থা কৰিব পৰা গৈছিল। এই ব্যৱস্থা সেইবোৰ ছাত্ৰৰ বাবেহে মুক্ত আছিল যিয়ে বিনিময়ত বিভিন্ন শ্ৰমদান কাৰ্য কৰিছিল।

জীৱনীকাৰ য়ুয়ান চাৱাঙ (Yuan Chawang)ৰ মতে সপ্তম শতিকাৰ শেষৰফালে নালন্দাৰ ছাত্ৰসংখ্যা আছিল প্ৰায় ১০,০০০ জন। ভাৰতবৰ্ষৰ লগতে বিশ্বৰ বিভিন্ন প্ৰান্তৰপৰা নালন্দালৈ ছাত্ৰৰ আগমন ঘটিছিল। চীনা পৰিব্ৰাজক আৰু পণ্ডিত ফাহিয়ান (Fahein), য়ুয়ান চাৱাং (Yuan Chawang) আৰু ইট্চিং (Itsing) নালন্দা পৰিৱেশ আৰু শিক্ষাকেন্দ্ৰৰ প্ৰতি অধিক আগ্ৰহী হোৱা দেখা গৈছিল।

নালন্দা বিশ্ববিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ অধিক আগবঢ়া আছিল। শতাধিক শিক্ষক আৰু এহেজাৰৰো ওপৰৰ ছাত্ৰৰ বাবে বিশ্ববিদ্যালয়ৰ পুথিভঁৰালত অসংখ্য গুণসম্পন্ন পুথিৰ ব্যৱস্থা আছিল। চীনা পণ্ডিত আৰু পৰিব্ৰাজকসকলে বৌদ্ধধৰ্ম সম্বন্ধে বিভিন্ন পুথিৰ প্ৰতিলিপিৰ নকল সংগ্ৰহ কৰিবলৈ মাহৰ পিছত মাহ নালন্দাত বাহৰ পাতি আছিল। ইটচিঙে (Itsing) নালন্দাৰপৰা সংস্কৃত ভাষাৰ প্ৰায় ৪০০ খন পুথিৰ নকল কৰিছিল, য'ত প্ৰায় ৫,৩০,০০০ শ্লোক সন্নিৱিষ্ট আছিল। নালন্দাৰ শিক্ষা পাঠ্যক্ৰম সামগ্ৰিকবিধৰ আৰু কঠোৰ আছিল। যদিও মহায়ন (Mahayana) শাখাৰ বৌদ্ধ পাঠ্যক্ৰম সন্নিৱিষ্ট কৰা হৈছিল, তথাপি হীনায়ন (Hinayana) শাখাৰ পাঠ্যক্ৰমো অন্তৰ্ভুক্ত কৰা হৈছিল। বিভিন্ন বিষয়, যেনে— ব্যাকৰণ, দৰ্শন আৰু সাহিত্য হিন্দু আৰু বৌদ্ধ উভয় ছাত্ৰৰ বাবে ধৰা-বন্ধা আছিল। বৌদ্ধসকলৰ বিভিন্ন বিষয়ৰ লগতে বৈদিক সাহিত্যৰ অন্তৰ্ভুক্ত বেদ, বেদান্ত আৰু সাংখ্য দৰ্শন পাঠ্যক্ৰমৰ ভিতৰত বিশ্ববিদ্যালয়ত শিকোৱা হৈছিল।

নালন্দাৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা স্বৰূপে প্ৰায় এহেজাৰ শিক্ষকৰ দহ হেজাৰ ছাত্ৰক শিক্ষাদান কৰিবলৈ নিযুক্তি দিয়া হৈছিল। গতিকে প্ৰত্যেক শিক্ষকৰ অধীনত দহজনকৈ ছাত্ৰই অধ্যয়নৰ সুবিধা লাভ কৰিছিল। প্ৰতিজন ছাত্ৰৰ প্ৰতি ব্যক্তিগত মনোযোগ প্ৰদান কৰা হৈছিল আৰু শিক্ষাদান কাৰ্য অধিক কাৰ্যকৰী হোৱা



দেখা গৈছিল। কৰ্তৃপক্ষই প্ৰতিদিনে প্ৰায় শতাধিক বক্তৃতা ব্যৱস্থা কৰিছিল। অধ্যয়নপুষ্ট শিক্ষকে অধিক সন্মান আৰু আদৰ লাভ কৰিছিল।

নালন্দা বিশ্ববিদ্যালয়ত শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ সম্বন্ধ অতি পাৰস্পৰিক আছিল। শিক্ষা ব্যৱস্থাত কঠোৰ অনুশাসন, নীতি-নিয়ম মানি চলা হৈছিল। শিক্ষকসকল আছিল বিদগ্ধ পণ্ডিত। আচাৰ্য ধৰ্মপাল, চন্দ্ৰপাল প্ৰজ্ঞামিত্ৰ, নাগাৰ্জুন, জ্ঞান চন্দ্ৰ, স্থিৰমতি আদি পণ্ডিত সকল নালন্দা বিশ্ববিদ্যালয়ৰ শিক্ষক আছিল। শীলভদ্ৰৰ দৰে শিক্ষকে সৰ্বশ্ৰেষ্ঠ যোগশাস্ত্ৰজ্ঞ হিচাপে খ্যাতি লাভ কৰিবলৈ সক্ষম হৈছিল।।

নালন্দাৰ পণ্ডিতসকল অভিজ্ঞতা সংগ্ৰহৰ বাবে পৃথিৱীৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰিছিল। ইয়াৰ দ্বাৰা বিভিন্ন দেশৰ লগত শিক্ষা আৰু সংস্কৃতিৰ আদান-প্ৰদান ঘটিছিল। ত্ৰয়োদশ শতিকাৰ মুছলমান আক্ৰমণকাৰী বখতিয়াৰ খিলিজীয়ে নালন্দা বিশ্ববিদ্যালয় সম্পূৰ্ণৰূপে ধ্বংস কৰে আৰু ইয়াৰ পৃথিৱী বিখ্যাত গ্ৰন্থাগাৰ জ্বলাই দিয়ে। তাৰ পিছৰ পৰাই নালন্দাৰ শৌৰ্য কমি আহে।

## বিক্ৰমশীলা (Vikramshila)

খ্ৰীষ্টাব্দ অষ্টম শতিকাত ৰজা ধৰমপালৰ পৃষ্ঠপোষকতাত বিক্ৰমশীলাক আন্তৰ্জাতিক শিক্ষাৰ কেন্দ্ৰ হিচাপে স্থাপন কৰা হয়। প্ৰায় চাৰি শতিকাজুৰি এই শিক্ষাকেন্দ্ৰ প্ৰসিদ্ধ আছিল। ধৰমপালে বিভিন্ন মঠ আৰু মন্দিৰ নিৰ্মাণ কৰি তালৈ মুক্তহস্তে দান-বৰঙণি আগবঢ়াইছিল। তেওঁৰ পিছৰ কালছোৱাত তেওঁৰ উত্তৰাধিকাৰীসকলে এইবোৰৰ পৃষ্ঠপোষকতা কৰিছিল। বিশিষ্ট পণ্ডিতসকলে তেওঁলোকৰ কৰ্মশৈলীৰে ইয়াক সমৃদ্ধ কৰি থৈ গৈছে। এই বিশ্ববিদ্যালয়ৰ খ্যাতি বিভিন্ন ঠাইলৈ বিয়পি পৰিছিল। তিব্বত আৰু বিক্ৰমশীলাৰ মাজত নিয়মীয়া আদান-প্ৰদান চলিছিল।

তক্ষশীলাৰ প্ৰশাসনিক ব্যৱস্থা মুখ্য ভিক্ষুগৰাকীয়ে পৰিচালনা কৰিছিল। ইয়াৰ অধীনত থকা বিভিন্ন প্ৰশাসনীয় কাৰ্য পালন কৰিবলগীয়া হৈছিল। ব্যাকৰণ, দৰ্শন, আধিভৌতিক পদাৰ্থবিদ্যা, তন্ত্ৰ-মন্ত্ৰ আৰু ধৰ্মীয় ৰীতি-নীতিৰ ওপৰত শিক্ষা প্ৰদান কৰা হৈছিল। নালন্দাৰ পাঠ্যক্ৰমৰ দৰে তক্ষশীলাৰ পাঠ্যক্ৰম বিস্তৃত ধৰণৰ নাছিল। তথাপি বিশ্ববিদ্যালয়খন সুসংগঠিত আৰু পদ্ধতিগতভাৱে পৰিচালনা কৰা হৈছিল আৰু শিক্ষা সমাপ্তিৰ অন্তত ডিগ্ৰী আৰু ডিপ্ল'মাৰ ব্যৱস্থা কৰা হৈছিল। ১২০৩ চনত বখতিয়াৰ খিলিজীয়ে এই বিশ্ববিদ্যালয় ধ্বংস কৰি নিকৃষ্ট মানসিকতাৰ পৰিচয় দিছিল।

প্ৰসিদ্ধ ভিক্ষুসকলে এই বিশ্ববিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল আৰু সুদূৰ তিব্বতলৈ বিক্ৰমশীলা সংযোগ ঘটিছিল। পণ্ডিতসকলে সংস্কৃত ভাষাৰ গ্ৰন্থও তিব্বতীয় ভাষালৈ অনুবাদ কৰিছিল। পণ্ডিত ছাত্ৰসকলক জলপানি দিয়াৰ ব্যৱস্থাও আছিল। বাৰ শতিকালৈ প্ৰায় ৩০০০ ভিক্ষুই এই বিশ্ববিদ্যালয়ত আশ্ৰয় গ্ৰহণ কৰিছিল। ইয়াত মূল্যবান গ্ৰন্থেৰে সমৃদ্ধ এক বিশাল পুথিভঁৰাল আছিল। পিছলৈ ইছলাম শাসকে এই বিশ্ববিদ্যালয়ত ধ্বংসলীলা চলায়। বখ্তিয়াৰ খিলীজিয়ে এই ধ্বংসলীলাত আগভাগ

লয়। বিক্ৰমশীলা বিশ্ববিদ্যালয়ে মূলতঃ বৌদ্ধ শিল্প, সাহিত্য আৰু ধৰ্মপ্ৰচাৰ কৰাৰ ক্ষেত্ৰত বিশেষ আগভাগ লোৱা দেখা যায়। গৌতম বুদ্ধৰ জীৱন, বাণী আৰু জীৱনৰ সত্য পাঠ্যক্ৰমৰ মূল বিষয়বস্তু আছিল, যদিও বিভিন্ন বিষয়ৰ পাঠদান কৰা হৈছিল।

## বেনাৰস (Banaras)

বৈদিক যুগত বিহাৰ, উত্তৰ-পশ্চিম প্ৰদেশ, বেঙ্গল আদি ঠাইসমূহলৈ ধৰ্মপ্ৰচাৰ আৰু সম্প্ৰসাৰণৰ বাবে প্ৰায় শতিকাকাল অতিবাহিত হৈছিল। কিন্তু বেনাৰস সেই সময়ত শিক্ষাৰ কেন্দ্ৰ হিচাপে বিশেষ সমাদৃত হোৱা নাছিল। উপনিষদৰ সময়ত বেনাৰস আৰ্যসকলৰ ধৰ্ম আৰু সংস্কৃতি চৰ্চাৰ কেন্দ্ৰস্বৰূপে পৰিগণিত হৈছিল। খ্ৰীঃপূৰ্ব সপ্তম শতিকাৰ পৰাহে সম্ভৱতঃ বেনাৰস পূৰ্ব ভাৰতৰ শিক্ষাৰ কেন্দ্ৰ হিচাপে প্ৰাধান্য বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিছিল। সম্ৰাট অশোকৰ দিনত সাৰনাথৰ বৌদ্ধ মঠ শিক্ষাৰ প্ৰধান কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। ইয়াত প্ৰায় ১৫০০ ভিক্ষুই শিক্ষা লাভ কৰিছিল। খ্ৰীষ্টাব্দ ১২ শতিকাত বেনাৰস বৌদ্ধ শিক্ষাৰ উল্লেখযোগ্য কেন্দ্ৰস্বৰূপে পৰিগণিত হৈছিল।

কাশীৰ শিক্ষিত ব্ৰাহ্মণসকলে বৈদিক শিক্ষাব্যৱস্থা অপৰিৱৰ্তনীয়ভাৱে আৰু পৰম্পৰাগতভাৱে ব্ৰাহ্মণ যুগৰ শিক্ষা প্ৰৱৰ্তনৰ ক্ষেত্ৰত ব্ৰতী হৈছিল। খ্ৰীষ্টাব্দ ১১ শতিকাত বেনাৰস আৰু কাশ্মীৰ ভাৰতবৰ্ষৰ হিন্দু শিক্ষাৰ অন্যতম কেন্দ্ৰস্বৰূপে পৰিগণিত হৈছিল। কাশীক বৰ্তমানেও হিন্দুৰ এক পৱিত্ৰ তীৰ্থস্থান স্বৰূপে গণ্য কৰা হয়। বৈদিক যুগৰ ঋষিমুনিসকলে কাশীক ধৰ্মপ্ৰচাৰৰ এক অন্যতম স্থানস্বৰূপে গণ্য কৰিছিল। ব্ৰাহ্মণসকলৰ বিদ্যাচৰ্চা আৰু ধৰ্মচৰ্চাৰ কেন্দ্ৰহিচাপে কাশীৰ এক ঐতিহাসিক গুৰুত্ব আছে।

খ্ৰীষ্টাব্দ ষষ্ঠ শতিকাত মহাৰাষ্ট্ৰ আৰু কৰ্ণাটকৰ পৰা কিছুমান পণ্ডিত লোকে বেনাৰসলৈ ঘূৰি আহি তাত শিক্ষাৰ কেন্দ্ৰ হিচাপে নিজকে শিক্ষাকাৰ্যত নিয়োজিত কৰে। প্ৰায় তিনি শতিকাজুৰি বেনাৰস হিন্দু শিক্ষাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। আনকি মোগল সম্ৰাট আকবৰ, ছাহজাহান আৰু দাৰায়ো বেনাৰসৰ শিক্ষিত লোকলৈ প্ৰয়োজনীয় সাহায্য প্ৰদান কৰিছিল। মধ্যযুগত শিক্ষাৰ কেন্দ্ৰস্বৰূপে আকৰ্ষণীয় ৰূপত গঢ় দি তোলাৰ বাবে বেনাৰসৰ ব্ৰাহ্মণসকল প্ৰশংসাৰ পাত্ৰ। বাৰ্ণিয়াৰ মতে, 'যদিও বেনাৰসক এখন বিশ্ববিদ্যালয় বুলি অভিহিত কৰা হয়, তথাপি ইয়াৰ অধীনত কোনো কলেজ নাইবা দৈনন্দিন শ্ৰেণীৰ ব্যৱস্থা নাছিল, বৰঞ্চ প্ৰাচীন কালৰ দৰে শিক্ষকসকল চহৰৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ আছিল। ব্যক্তিগত গৃহত তেওঁলোকে শিক্ষাদান কৰিছিল। কিছুমান শিক্ষকৰ তলত চাৰিজন, কিছুমান শিক্ষকৰ তলত পাঁচজন আৰু আটাইতকৈ বিখ্যাতজনৰ তলত বাৰৰ পৰা পোন্ধৰজন ছাত্ৰই শিক্ষা লাভ কৰিছিল। এই সংখ্যা সৰ্বাধিক আছিল।



## প্ৰশ্নাৱলী (Questions)

১। বৈদিক শিক্ষাৰ মূল নীতি আৰু লক্ষ্যসমূহ আলোচনা কৰা।
Discuss about the principles and aims of vedic education.

২। কৌটিল্যৰ অৰ্থশাস্ত্ৰত থকা শিক্ষা ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা।
Discuss about the education system of Kautilyals Arthasastra.

৩। বৌদ্ধ শিক্ষাৰ মূল নীতিসমূহ কি কি?
What are the main principles of Buddhist education.

৪। মুছলমান শিক্ষাৰ নীতিসমূহ কি আছিল?
What were the principles of Islamic education.

৫। বৈদিক যুগৰ শিক্ষাব্যৱস্থাৰ বিষয়ে চমু আভাস দিয়া। এই শিক্ষাৰ মূল লক্ষ্য আৰু উদ্দেশ্যবোৰ কি কি আছিল?
(Write briefly about the Vedic system of education. What were the main aims and objectives of this education)

৬। বৈদিক যুগৰ নাৰীশিক্ষাৰ বিষয়ে লিখা। সেই সময়ত শিক্ষক আৰু শিক্ষাৰ্থীৰ মাজত কেনেধৰণৰ সম্বন্ধ আছিল?
(Write about woman education of Vedic period. What type of relationship existed between the teacher and learner during that period?)

৭। বৈদিক শিক্ষাৰ গুণাগুণ আৰু বৰ্তমান শিক্ষাব্যৱস্থাৰ লগত ইয়াৰ সাদৃশ্যসমূহ কেনেধৰণৰ বৰ্ণনা কৰা।
(Describe about the merit and demertis of Vedic period and what are the similarities of this education system with present day education?)

৪। বৌদ্ধ শিক্ষাব্যৱস্থাৰ বৈশিষ্ট্যসমূহ কি কি? বৈদিক আৰু বৌদ্ধ শিক্ষাব্যৱস্থাৰ মিল আৰু অমিলখিনি আলোচনা কৰা।
(What are the characteristics of Buddhist education system? What are the similarities and dissimilarities between Vedic and Buddhist Education system.)

৫। প্ৰাচীন ভাৰতৰ বৌদ্ধ শিক্ষাৰ কেন্দ্ৰসমূহৰ বিষয়ে চমুকৈ লিখা।
(Write in brief about the Buddhist education centres of ancient India.)

৬। ভাৰতবৰ্ষৰ পুৰণি শিক্ষাব্যৱস্থাসমূহৰ বিষয়ে চমুকৈ লিখা।
(Write in brief about the ancient centres of learning in India.)

• • •